www.newsnextone.com
# e সংবাদ

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

THURSDAY, DECEMBER 26, 2024 ■ বৃহস্পতিবাৰ, ১০ পুহ, ১৯৪৬ শকাব্দ ■ www.newsnextone.com ৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ১ Guwahati, Assam ।। মূল্যঃ এটকা

## সীমান্তত পুনৰ ৫ বাংলাদেশী ধৃত

**ই-সংবাদ, ২৫ ডিচেম্বৰঃ** অসম আৰক্ষীয়ে পুনৰ পাঁচজন বাংলাদেশী নাগৰিকক আটক কৰি সীমান্তৰ ৩ পৃষ্ঠাত



'ই-সংবাদ'ৰ বৰ্ষপূৰ্তি অনুষ্ঠানত 'ই-শিৰোমণি' সন্মান গ্ৰহণৰ মুহূৰ্তত ক্ৰমে সুস্মিতা গোস্বামী, মৃদুল কুমাৰ সন্দিকৈ আৰু লুইত বৰ্মন

### 'ই-সংবাদ'ৰ এটা বছৰ সম্পূৰ্ণ, গুৱাহাটী প্ৰেছ ক্লাবত বৰ্ষপূৰ্তিৰ বিশেষ অনুষ্ঠান

# সুস্মিতা গোস্বামী, মৃদুল সন্দিকৈ, লুইত কুমাৰ বৰ্মনলৈ 'ই-শিৰোমণি' সন্মান

**ই-সংবাদ, গুৱাহাটী, ২৫ ডিচেম্বৰঃ** অসমৰ ডিজিটেল মিডিয়াৰ ক্ষেত্ৰখনলৈ আগবঢ়োৱা বিশেষ বৰঙণিৰ বাবে দুগৰাকী সাংবাদিক আৰু এগৰাকী চলচিত্ৰ নিৰ্মাতাক গুৱাহাটী প্ৰেছ ক্লাৱত আজি 'ই-শিৰোমণি' সন্মান প্ৰদান কৰা শেষাংশ ২ পৃষ্ঠাত

## আফগানিস্তানত ভয়ংকৰ আক্ৰমণত নিহত ১৫ জন

**কাবুল, ২৫ ডিচেম্বৰঃ** বৰদিনৰ ঠিক পূৰ্বে এইবাৰ এছিয়াৰ দুই মুছলমানপ্ৰধান দেশৰ মাজত সৃষ্টি হ'ল যুদ্ধ সদৃশ শেষাংশ ২ পৃষ্ঠাত

## চিমলাত তুষাৰ চাবলৈ গৈ আবদ্ধ পৰ্যটকৰ মৃত্যু!



**চিমলা, ২৫ ডিচেম্বৰঃ** বৰদিনৰ বিশেষ মুহূৰ্তত তুষাৰপাতৰ সৌন্দৰ্য্য উপভোগ কৰিবলৈ হিমাচল প্ৰদেশত ভিৰ কৰিছে শেষাংশ ৩ পৃষ্ঠাত




# কোনো সামাজিক দায়বদ্ধতা নথকা সাংবাদিক 'ড্ৰাগছ পেডলাৰ' সদৃশঃ ডঃ দীনেশ বৈশ্য

**ই-সংবাদ, গুৱাহাটী, ২৫ ডিচেম্বৰঃ** 'নিউজ নেক্সট ওৱান'ৰ অনলাইন দৈনিক 'ই-সংবাদ'-এ আজি এটা বছৰ সম্পূৰ্ণ কৰিলে। এটা বছৰ সম্পূৰ্ণ হোৱাত প্ৰথম বৰ্ষপূৰ্তি উপলক্ষে গুৱাহাটী প্ৰেছ ক্লাৱত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানৰ আয়োজন কৰা হয়। তিনিগৰাকী বিশিষ্ট লোকক সম্বৰ্ধনা জ্ঞাপন কৰাৰ লগতে অসমৰ সাংবাদিকতাত ডিজিটেল মিডিয়া আৰু ছ'চিয়েল মিডিয়াৰ প্ৰভাৱ সম্পৰ্কে অনুষ্ঠিত গাম্ভীৰ্যপূৰ্ণ আলোচনা অনুষ্ঠানত সভাপতিত্ব কৰে বিশিষ্ট শিক্ষাবিদ, চিন্তাবিদ, লেখক ডঃ দীনেশ বৈশ্যই। ডঃ দীনেশ বৈশ্যই সভাপতিৰ আসনৰ পৰা অসমৰ সংবাদ মাধ্যমৰ বৰ্তমান স্থিতিক লৈ গভীৰ শেষাংশ ৫ পৃষ্ঠাত

## এইবাৰ আতিশীক গ্ৰেপ্তাৰ কৰিব বুলি কেজৰিৰ আশংকা

**নতুন দিল্লী, ২৫ ডিচেম্বৰঃ** ভুৱা গোচৰত শীঘ্ৰে গ্ৰেপ্তাৰ কৰা হ'ব পাৰে দিল্লীৰ মুখ্যমন্ত্ৰী আতিশী মাৰ্লেনাক! দিল্লী শেষাংশ ২ পৃষ্ঠাত

## নিৰ্লজ্জ কোন? কংগ্ৰেছে ক'লে মুখ্যমন্ত্ৰী এক নম্বৰ নিৰ্লজ্জ!

### মুখ্যমন্ত্ৰীৰ মতে নিৰ্লজ্জ কংগ্ৰেছ!



**ই-সংবাদ, ২৫ ডিচেম্বৰঃ** কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ৰাজ্যসভাত সংবিধান প্ৰণেতা বাবাচাহেব আম্বেদকাৰক শেষাংশ ৪ পৃষ্ঠাত

## কাজাখস্তানত ভূপতিত বিমান, ৩৫ জন যাত্ৰী নিহত! কথমপি প্ৰাণ ৰক্ষা পৰিল ২৮ জনৰ



**আস্তানা, ২৫ ডিচেম্বৰঃ** এছিয়াৰ দেশ কাজাখস্তানৰ আকটাউ চহৰৰ সমীপত বুধবাৰে সংঘটিত এখন যাত্ৰীবাহী বিমানৰ দুৰ্ঘটনাই সমগ্ৰ বিশ্বজুৰি শোকাকুল পৰিৱেশৰ সৃষ্টি কৰিছে। জৰুৰীকৈ অৱতৰণৰ কৰিবলৈ লোৱাৰ সময়তে আজাৰবাইজান এয়াৰলাইন্সৰ এখন এয়াৰ ই আৰ জে-১৯০ বিমান দুৰ্ঘটনাগ্ৰস্ত হোৱাৰ ফলত কমেও ৩৫ জন যাত্ৰী নিহত শেষাংশ ৩ পৃষ্ঠাত

### সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদকৰ ঘৰত 'নিয়া'

## হেঙেৰাবাৰীৰ পৰা চলিছিল ১৫ আগষ্টৰ কূটাঘাট!

**ই-সংবাদ, ২৫ ডিচেম্বৰঃ** অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদকৰ ঘৰত ভাড়াত থাকি ১৫ আগষ্টত বোমা বিস্ফোৰণৰ পৰিকল্পনা কৰিছিল আলফা স্বাধীনৰ সদস্যই। গুৱাহাটীৰ হেঙেৰাবাৰীস্থিত অসম সাহিত্য সভাৰ নেতা জগদীশ পাটগিৰিৰ ঘৰত থাকি গুৱাহাটীত শেষাংশ ৩ পৃষ্ঠাত




'ই-সংবাদ'ৰ বৰ্ষপূৰ্তি অনুষ্ঠানত ছ'চিয়েল মিডিয়া সম্পৰ্কে ভাষণ প্ৰদানৰ মুহূৰ্তত সাংবাদিক চক্ৰপাণি

প্ৰথম পৃষ্ঠাৰ পৰা...

# সুস্মিতা গোস্বামী, মৃদুল সন্দিকৈ

হয়। এই সন্মান প্ৰদান কৰা অনুষ্ঠানত উপস্থিত থাকে 'ই-সংবাদ'ৰ মুখ্য সম্পাদক ড০ দীনেশ বৈশ্য। গুৱাহাটী প্ৰেছ ক্লাবৰ সভাপতি তথা পিটিআইৰ জ্যেষ্ঠ সাংবাদিক সুস্মিতা গোস্বামী, প্ৰতিদিন ডিজিটেলৰ জ্যেষ্ঠ সাংবাদিক লেখক মৃদুল কুমাৰ সন্দিকৈ আৰু চলচিত্ৰ নিৰ্মাতা তথা সামাজিক মাধ্যমৰ যোগেতি জনমত গঠনত সক্ৰিয় ভূমিকা পালন কৰি অহা লুইত কুমাৰ বৰ্মনক এই সন্মান প্ৰদান কৰা হয়। ই-শিৰোমণি সন্মান প্ৰদান কৰা অনুষ্ঠানৰ লগত সংগতি ৰাখি 'অসমৰ সাংবাদিকতাত ডিজিটেল মিডিয়া আৰু ছ'চিয়েল মিডিয়াৰ প্ৰভাৱ' শীৰ্ষক বিষয়ত বক্তব্য প্ৰদান কৰে আন এজন যুৱ সাংবাদিক চক্ৰপাণি পৰাশৰে। নিজৰ অভিজ্ঞতাৰ পৰা পৰাশৰে কয় যে মোবাইল ফোনে সমগ্ৰ দেশতে চমকপ্ৰদ পৰিৱৰ্তন আনিবলৈ সক্ষম হৈছে আৰু এই মোবাইলৰ যোগেদি ডিজিটেল মাধ্যমে দেশৰ সকলো ক্ষেত্ৰতে বিশেষকৈ ভাৰতৰ দৰে বিশাল জনবহুল দেশত ব্যাপক প্ৰভাৱ পেলাবলৈ সক্ষম হৈছে। মুক্ত আৰু স্বতন্ত্ৰ নিউজ ৱেবছাইট newsnextone.comৰ অনলাইন দৈনিক 'ই-সংবাদ'ৰ প্ৰথম বৰ্ষপূৰ্তি উপলক্ষে গুৱাহাটী প্ৰেছ ক্লাবত আয়োজিত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোত 'ই-শিৰোমণি' সন্মান লাভ কৰি জ্যেষ্ঠ সাংবাদিক তথা গুৱাহাটী প্ৰেছ ক্লাবৰ সভাপতি সুস্মিতা গোস্বামীয়ে কয় যে ডিজিটেল প্লেটফৰ্মে সংবাদ মাধ্যমৰ ব্যৱস্থাটোক সহজ কৰি তুলিছে। লিখা মাধ্যম গুৰুত্বপূৰ্ণ বুলি কৈ গোস্বামীয়ে কয় যে আমি সকলোৱে প্ৰথমে লিখা মাধ্যমক গুৰুত্ব দিবলগীয়া হয়। লিখাৰ সময়ত শুদ্ধ কৰিব পৰাৰ ব্যৱস্থা থাকে। লিখোতে আমি অশুদ্ধটো কেনেধৰণে শুদ্ধ কৰিব পাৰো তাৰ ওপৰত ভিত্তি কৰিয়েই আমি ডিজিটেল মিডিয়াৰ কামখিনি শিকিব পাৰো। লিখাৰ সময়ত শব্দৰ প্ৰয়োগ নাজানিলে সফল হ'ব নোৱাৰি বুলিও কয় সুস্মিতা গোস্বামীয়ে। আনগৰাকী সন্মান প্ৰাপক সাংবাদিক মৃদুল কুমাৰ সন্দিকৈয়ে সামাজিক মাধ্যমত কেনেকৈ দায়িত্বশীল হৈ থাকিব পাৰি সেই কথাক গুৰুত্ব দি কয় যে ভিউৱাৰ্ছ কিমান পাইছে, টকা উপাৰ্জন কিমান কৰিছে সেয়া ডাঙৰ কথা নহয়, এগৰাকী সাংবাদিক হিচাপে দায়বদ্ধ হোৱাতোহে আচল কথা। ছ'চিয়েল মিডিয়া এক্টিভিষ্ট লুইত কুমাৰ বৰ্মনে সন্মান গ্ৰহণ কৰি কয় যে এতিয়া ছ'চিয়েল মিডিয়াত সকলোৱে একো একোগৰাকী সাংবাদিক। সকলোৱে সত্যৰ হকে লিখা-মেলা কৰিবলৈকো তেওঁ আহ্বান জনায়। এজন লুইত কুমাৰ বৰ্মনে সমাজ সলনি কৰিব নোৱাৰে। মোৰ পোষ্টৰ তলত কমেন্টত দাদা লগত আছো বুলি কোৱাতকৈ সকলোৱে নিজেই নিজেই কথাবোৰ কোৱা আৰম্ভ কৰক বুলিও কয় লুইত বৰ্মনে। ৰাজ্যত যিবোৰ ঘটনা ঘটি আছে সকলোবোৰৰ বিৰুদ্ধে মানুহক মাত মাতিবলৈ আহ্বান জনাই লুইত কুমাৰ বৰ্মনে সামাজিক মাধ্যমত লিখাৰ বাবে এগৰাকী আইএএছে তেওঁৰ বিৰুদ্ধে মানহানি গোচৰ তৰাৰ প্ৰসংগ উল্লেখ কৰি গোচৰ তৰাৰ বাবে আনন্দিত হোৱা বুলিও কয়। আজিৰ এই অনুষ্ঠানত 'ই-সংবাদ'ৰ অন্যতম শুভকাংক্ষী ছফি জামাল হুছেইনকো এখন ফুলাম গামোছাৰে সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানৰ শেষত ভাষণ প্ৰদান কৰি অনলাইন দৈনিক 'ই-সংবাদ'ৰ মুখ্য সম্পাদক, বিশিষ্ট শিক্ষাবিদ, চিন্তাবিদ, লেখক ড০ দীনেশ বৈশ্যই অসমৰ সংবাদমাধ্যমৰ বৰ্তমান স্থিতিক লৈ উদ্বেগ প্ৰকাশ কৰে। তেওঁ কয় যে যিসকলে সামাজিক মাধ্যমত বিভিন্নধৰণে সক্ৰিয় হৈ থাকে, সেই সকলোৱে একোগৰাকী দায়বদ্ধ সাংবাদিক। এই সকলোৱে সমাজৰ প্ৰতি দায়বদ্ধতা আছে। যিসকল সাংবাদিকে সামাজিক দায়বদ্ধতা এৰি দিছে, সেইসকলৰ আৰু ড্ৰাগছ সৰবৰাহকাৰীৰ মাজত পাৰ্থক্য কি থাকিল বুলিও প্ৰশ্ন কৰে ড০ বৈশ্যই। ড০ বৈশ্যই কয় যে ড্ৰাগছ পেডলাৰে মানুহক ড্ৰাগছৰ প্ৰতি আসক্ত কৰি তুলি কোটি কোটি টকা ঘটে, ঠিক তেনেকৈ দায়ৱদ্ধতা নথকা সাংবাদিক তথা ইউটিউবাৰ সকলেও মানুহক তেওঁলোকৰ আভুৱা ভৰা কথাৰ প্ৰতি আসক্ত কৰি কোটি কোটি টকা ধন ঘটি আহিছে। অনুষ্ঠানত ভালেসংখ্যক লোক উপস্থিত থাকে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# আফগানিস্তানত ভয়ংকৰ আক্ৰমণত

পৰিস্থিতিৰ। মঙলবাৰে নিশা আফগানিস্তানৰ পাকতিকা প্ৰদেশত আকাশী আক্ৰমণ চলায় পাকিস্তানে। এই বিমান আক্ৰমণত শিশু আৰু মহিলাসহ কমেও ১৫ জন লোক নিহত হোৱাৰ খবৰ পোৱা গৈছে। এই ঘটনাত নিহতৰ সংখ্যা আৰু অধিক বৃদ্ধি পোৱাৰো আশংকা কৰা হৈছে। আফগান সংবাদ মাধ্যমত প্ৰকাশিত তথ্য অনুসৰি মঙলবাৰে মাজনিশা পাকতিকা প্ৰদেশৰ বৰমাল জিলাত ধাৰাবাহিক বিমান আক্ৰমণ সংঘটিত হয়। এই আক্ৰমণত পাকিস্তানী বায়ুসেনাই লমনকে ধৰি ৭খন গাঁৱক লক্ষ্য কৰি লয়। এই আক্ৰমণত এটা পৰিয়ালৰ পাঁচজন সদস্য নিহত হোৱাৰ লগতে কেইবাগৰাকীও মহিলা আৰু শিশুকে ধৰি কমেও ১০ জন লোকে প্ৰাণ হেৰুৱাইছে। একাংশ সংবাদ মাধ্যমে দাবী কৰিছে যে বৰমল অঞ্চলৰ মুৰগবজাৰ গাঁওখন সম্পূৰ্ণৰূপে নিঃশেষ হৈ যায় এই আক্ৰমণত। বৰ্তমান ধ্বংসাৱশেষৰ পৰা মৃতদেহ আৰু আৱদ্ধ বাসিন্দাসকলক উদ্ধাৰৰ কাম চলি আছে। পাকিস্তানৰ এই আক্ৰমণৰ পিছতে আফগানিস্তানৰ শাসকীয় তালিবান চৰকাৰৰ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। পাকিস্তানে আফগানিস্তানৰ ৱাজিৰিস্তান শৰণাৰ্থী শিবিৰত নিৰীহ লোকক লক্ষ্য কৰি লোৱাৰ অভিযোগ উত্থাপন কৰিছে তালিবানে। তালিবান চৰকাৰৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ে সকীয়াই দিছে যে তালিবান চৰকাৰে নিজৰ সাৰ্বভৌমত্ব ৰক্ষাৰ বাবে অতি সোনকালে এই আক্ৰমণৰ প্ৰতি সঁহাৰি জনাব। এই আক্ৰমণে আফগানিস্তান আৰু পাকিস্তানৰ মাজত চলি থকা উত্তেজনাত এক নতুন মাত্ৰা সংযোজন কৰিছে। মন কৰিবলগীয়া যে আফগান তালিবান উগ্ৰপন্থী সংগঠন টেহৰিক-ই-তালিবান পাকিস্তানে পাকিস্তানী সেনাবাহিনীৰ ওপৰত আক্ৰমণ বৃদ্ধি কৰিছে, যাৰ প্ৰতিক্ৰিয়া স্বৰূপে পাকিস্তানে আফগানিস্তানে টিটিপিক আশ্ৰয় দিয়াৰ অভিযোগ উত্থাপন কৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# এইবাৰ আতিশীক গ্ৰেপ্তাৰ কৰিব

চৰকাৰৰ মুখ্যমন্ত্ৰী মহিলা সন্মান যোজনাক লৈ অব্যাহত থকা ৰাজনৈতিক বিতৰ্কৰ মাজতে মুখ্যমন্ত্ৰী আতিশীৰ গ্ৰেপ্তাৰৰ আশংকা ব্যক্ত কৰিছে প্ৰাক্তন মুখ্যমন্ত্ৰী তথা আম আদমী পাৰ্টিৰ মুৰব্বী অৰবিন্দ কেজৰিৱালে। বুধবাৰে পুৱা এটা ছ'চিয়েল মিডিয়া পোষ্টত এই আশংকা ব্যক্ত কৰাৰ পিছত বিয়লি সম্বোধন কৰা সংবাদ মেলতো একেই কথা দোহাৰে কেজৰিৱালে। প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে দিল্লী চৰকাৰৰ 'মুখ্যমন্ত্ৰী মহিলা সন্মান যোজনা' আৰু 'সঞ্জীৱনী যোজনা' বহুতৰে বাবে চকুৰ হুল হৈ পৰিছে। বিজেপিক লক্ষ্য কৰি তেওঁ কয় যে আপৰ শীৰ্ষ নেতাৰ ঘৰত শীঘ্ৰে তালাচীৰ পৰিকল্পনা কৰা হৈছে আৰু আতিশীক গ্ৰেপ্তাৰ কৰাও হ'ব পাৰে। উল্লেখ্য যে, দিল্লী চৰকাৰে ঘোষণা কৰা 'মুখ্যমন্ত্ৰী মহিলা সন্মান যোজনা'ৰ অধীনত ১৮ বছৰৰ ওপৰৰ মহিলাসকলে প্ৰতিমাহে ২১০০ টকা ভাট্টা লাভ কৰিব। এই ভাট্টা চৰকাৰী কৰ্মচাৰী আৰু ৰাজনৈতিক পদবীধাৰীৰ বাহিৰে সকলোৰে বাবে প্ৰযোজ্য। যদিও ২০২৪-২৫ৰ বাজেটত ১০০০ টকা ঘোষণা কৰা হৈছিল, কেজৰিৱালে পিছত কয় যে ২০২৫ চনৰ বিধানসভা নিৰ্বাচনত আপে জয়ী হ'লে এই ধনৰাশি ২১০০ টকালৈ বৃদ্ধি কৰা হ'ব। কিন্তু দিল্লীৰ মহিলা আৰু শিশু কল্যাণ বিভাগে জাৰি কৰা অধিসূচনাক কেন্দ্ৰ কৰি বিতৰ্ক আৰম্ভ হয়। অধিসূচনাত উল্লেখ কৰা হৈছে যে এই প্ৰকল্পৰ বাবে এতিয়ালৈকে কোনো চৰকাৰী নিৰ্দেশনা জাৰি কৰা হোৱা নাই। ইয়াৰ লগতে জনসাধাৰণক সকীয়াই দিয়া হৈছে যে এই প্ৰকল্পৰ নামত কোনোবাই যদি আবেদন গ্ৰহণ কৰে তেন্তে সেয়া প্ৰৱঞ্চনা হ'ব। তথাপিও ইতিমধ্যে আপৰ স্বেচ্ছাসেৱকসকলে ঘৰে ঘৰে গৈ পঞ্জীয়ন কৰিবলৈ আৰম্ভ কৰিছে। কেজৰিৱালে নিজেই কৈছিল, "মহিলাসকলে ক'লৈকো যাব নালাগে। আমাৰ স্বেচ্ছাসেৱকসকলে আপোনাৰ ঘৰলৈ গৈ আপোনাৰ নাম পঞ্জীয়ন কৰিব।" এনে পৰিস্থিতিত মুখ্যমন্ত্ৰী আতিশীৰ গ্ৰেপ্তাৰৰ আশংকাই ৰাজনৈতিক উত্তেজনা আৰু অধিক বৃদ্ধি কৰিছে। এই বিতৰ্কই দিল্লীৰ ৰাজনীতিত নতুন ৰূপ ল'ব পাৰে বুলি ধাৰণা কৰা হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

## চিমলাত তুষাৰ চাবলৈ গৈ আৱদ্ধ

পৰ্যটকে। কিন্তু প্ৰকৃতিৰ নৈসৰ্গিক দৃশ্য উদযাপন কৰিবলৈ গৈ হিমাচল প্ৰদেশত কৰুণ মৃত্যুক সাৱটিবলগীয়া হৈছে একাধিক পৰ্যটকে। যোৱা ২৪ ঘণ্টাত তুষাৰপাতৰ ফলত সংঘটিত পৃথক পৃথক পথ দুৰ্ঘটনাত হিমাচলত প্ৰাণ হেৰুৱাবলগীয়া হৈছে ৪ জন লোকে। এই সময়ত তিনিটা ৰাষ্ট্ৰীয় ঘাইপথকে ধৰি ৰাজ্যখনৰ ২২৩টা পথ বন্ধ কৰি দিয়া হৈছে। সংবাদ সংস্থা পিটিআইয়ে প্ৰকাশ কৰা অনুসৰি চিমলা, কুল্লু, চাম্বা, লাহাউল-স্পিটি, ছিৰমৌৰ আৰু মাণ্ডিত প্ৰচণ্ড তুষাৰপাতে বিঘ্নিত কৰিছে স্বাভাৱিক জীৱন। তুষাৰপাতৰ বাবেই শেহতীয়াকৈ চিমলাত ১৪৫টা, কুল্লুৰত ২৫টা আৰু মাণ্ডিত ২০টা পথৰ যাতায়ত বন্ধ কৰি দিয়া হৈছে। একে সময়তে ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত ৩৫৬ টা ট্ৰেন্সফৰ্মাৰ বিকল হোৱাৰ বাবে বহু অঞ্চলৰ বিদ্যুৎ যোগান বন্ধ হৈ পৰিছে। সোমবাৰৰ পৰা হিমাচলত তুষাৰপাত আৰম্ভ হয়। সেইদিনা অটল সুৰংগত বহু গাড়ী আবদ্ধ হৈ পৰে। ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা বাহিনীয়ে পৰ্যটককেইজনক উদ্ধাৰ কৰে যদিও পৰিস্থিতি এতিয়াও স্বাভাৱিক অৱস্থালৈ ঘূৰি অহা নাই। পথৰ পৰা বৰফ আঁতৰোৱাৰ বাবে প্ৰশাসনে মোতায়েন কৰিছে ২৬৮টা মেচিন। দুৰ্ঘটনাৰ পৰা হাত সাৰিবলৈ স্থানীয় ৰাইজ আৰু পৰ্যটকক যান-বাহনৰ চলাচল সীমিত কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। তথাপিও প্ৰতিকূল পৰিস্থিতিৰ মাজতো হিমাচললৈ পৰ্যটকৰ আগমন অব্যাহত আছে। চিমলা আৰু মানালীৰ বেছিভাগ হোটেলেই এই সময়ত পৰ্যটকেৰে ভৰি আছে। চৰকাৰী তথ্য অনুসৰি, যোৱা বছৰৰ ডিচেম্বৰৰ তুলনাত পৰ্যটকৰ সংখ্যা এইবাৰ ৩০ শতাংশ বৃদ্ধি পাইছে। বৰফেৰে আবৃত প্ৰাকৃতিক সৌন্দৰ্য্য উপভোগ কৰিবলৈ হিমাচল প্ৰদেশৰ প্ৰতিটো প্ৰান্তলৈ আগমণ ঘটিছে পৰ্যটকৰ। তাৰ মাজতে সংঘটিত হৈ আহিছে অঘটনবো।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

## কাজাখস্তানত ভূপতিত বিমান, ৩৫ জন

হোৱাৰ আশংকা কৰা হৈছে। ৰাছিয়াৰ এভিয়েশ্যন ৱাচডগ সংস্থাই জনোৱা মতে, চৰাইৰ সৈতে খুন্দা মৰাৰ ফলত বিমানখনত জৰুৰীকালীন অৱস্থাৰ সৃষ্টি হয়, যাৰ ফলত এই মৰ্মান্তিক দুৰ্ঘটনা হোৱাৰ সন্দেহ কৰা হৈছে। ৰাছিয়াৰ বিমান পৰিবহণ কৰ্তৃপক্ষই কয় যে চৰাইৰ আক্ৰমণৰ পিছত বিমানখনৰ কমাণ্ডাৰে জৰুৰীকালীন অৱতৰণ কৰাৰ সিদ্ধান্ত লৈছিল আৰু বিকল্প বিমানবন্দৰ হিচাপে আকটাউক বাছি লৈছিল। কিন্তু অৱতৰণৰ পূৰ্বেই আকাশমাৰ্গতে দুৰ্ঘটনাত পতিত হয় বিমানখন। উল্লেখ্য যে, এই দুৰ্ঘটনাৰ সময়ত আজাৰবাইজানৰ বাকুৰ পৰা ৰাছিয়াৰ গ্ৰ'জনিলৈ উৰা মাৰিছিল বিমানখন। বিমানখনত আছিল ৬২ জন যাত্ৰী আৰু ৫ জন ক্ৰু মেম্বাৰ। কাজাখস্তান কৰ্তৃপক্ষই জনোৱা মতে, দুৰ্ঘটনাৰ পিছতে দুটা শিশুসহ ২৮ জন লোকক জীৱিত অৱস্থাত উদ্ধাৰ কৰা হৈছে। আজাৰবাইজান এয়াৰলাইন্সে জনোৱা মতে, বিমানখনে আকটাউৰ পৰা প্ৰায় ৩ কিলোমিটাৰ দূৰত জৰুৰীকালীন অৱতৰণৰ চেষ্টা চলাইছিল। কিন্তু বিমানখনে কেছপিয়ান সাগৰৰ সিপাৰে অৱতৰণ কৰাৰ চেষ্টা কিয় কৰিছিল সেই সন্দৰ্ভত কোনো তাৎক্ষণিক ব্যাখ্যা এতিয়াও পোহৰলৈ অহা নাই। ইফালে দুৰ্ঘটনাৰ পূৰ্বে দক্ষিণ ৰাছিয়াত ড্ৰ'ন আক্ৰমণৰ বাতৰি পোৱা গৈছিল আৰু ড্ৰ'নৰ কাৰ্যকলাপৰ বাবে ওচৰৰ ৰাছিয়াৰ এটা বিমানবন্দৰ বন্ধ হৈ পৰিছিল। এই সংযোগে পৰিস্থিতি অধিক জটিল কৰি তোলাৰো সন্দেহ কৰা হৈছে। দুৰ্ঘটনাৰ সঠিক কাৰণ নিৰ্ণয়ৰ বাবে তদন্ত চলি আছে। অন্যহাতে, এই বিমান দুৰ্ঘটনা কাণ্ডই কাজাখস্তান আৰু আজাৰবাইজানত অসামৰিক বিমান পৰিবহণৰ সুৰক্ষাৰ ওপৰত নতুন প্ৰশ্নৰ উত্থাপন কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

## সীমান্তত পুনৰ ৫ বাংলাদেশী ধৃত

সিপাৰলৈ ঘূৰাই পঠিয়ায়। আজি ধৰা ৫ বাংলাদেশী হৈছে হাঙ্গি আখটাৰ, শ্ৰাবনী, শোহাগী খান, চুমি খান আৰু নীলা আখটাৰ। লোককেইজনে সীমান্তৰে অসমত প্ৰৱেশ কৰিছিল। ভাৰতীয় কৰ্তৃপক্ষই সীমান্তত ধৰি তেওঁলোকক উভতাই পঠিয়ায়। অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বাংলাদেশৰ বিত্তীয় সংকটৰ অৱনতিৰ বাবে বাংলাদেশৰ নাগৰিকসকলে ভাৰতলৈ অনুপ্ৰৱেশৰ প্ৰচেষ্টা বৃদ্ধি হোৱাত উদ্বেগ প্ৰকাশ কৰে। প্ৰতিদিনে ১০ৰ পৰা ২০জন বাংলাদেশী নাগৰিকে তেওঁলোকৰ দেশৰ অৰ্থনৈতিক প্ৰত্যাহ্বানৰ বাবে ভাৰতত প্ৰৱেশ কৰিবলৈ চেষ্টা কৰিছে আমি এনে ধৰণৰ অনুপ্ৰৱেশ ৰোধ কৰিবলৈ কঠোৰ ব্যৱস্থা ৰূপায়ণ কৰি আছো বুলিও ড০ শৰ্মাই।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

## হেঙেৰাবাৰীৰ পৰা চলিছিল ১৫ আগষ্টৰ

গুৱাহাটীত বোমা বিস্ফোৰণৰ পৰিকল্পনা কৰাৰ তথ্য পোহৰলৈ আনিবলৈ সক্ষম হৈছে অসম আৰক্ষী আৰু এনআইএৰ দলে। হেঙেৰাবাৰীত জগদীশ পাটগিৰিৰ ঘৰত ভাড়াতীয়া হিচাপে থাকি আলফা স্বাধীনৰ কেডাৰ জাহ্নু বৰুৱা ওৰফে অৰ্ণৱ অসমে বোমা সংস্থাপনৰ পৰিকল্পনা কৰিছিল। ডিব্ৰুগড়ত অৰ্ণৱ অসমক গ্ৰেপ্তাৰৰ পাছতে কৰা তদন্তত বহু তথ্য ওলাই পৰিছে। অসমৰ বিভিন্ন প্ৰান্তত বোমা সংস্থাপন কৰা ঘটনাৰ তদন্ত কৰি এনআই-এ বুধবাৰে গুৱাহাটীৰ হেঙেৰাবাৰীত অভিযান চলায়। হেঙেৰাবাৰীৰ জগদীশ পাটগিৰিৰ ঘৰত চলোৱা অভিযানত বহু তথ্য উদ্ধাৰ হোৱা বুলি জানিব পৰা গৈছে। পাণবজাৰ, দিছপুৰ, গান্ধী মণ্ডপত বোমা সংস্থাপন কৰাৰ কথা পোহৰলৈ আহিছে। ৰেপিড' চালকৰ ভাও ধৰি সাতগাঁৱত খোদ বোমা স্থাপন কৰিছিল জাহ্নু বৰুৱাই। কেৱল সাতগাঁৱতে নহয় গুৱাহাটী আৰু আন আন প্ৰান্তত বোমা সংস্থাপনতো জাহ্নুৰ হাত আছে বুলি অনুমান কৰা হৈছে। দীৰ্ঘদিন ধৰি আত্মগোপন কৰি থকা অৰ্ণৱ অসমক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হোৱাত অৰ্ণৱক লৈ এনআইএৰ দলে তদন্ত আৰম্ভ কৰিছে। ৰেপিড' চালকৰ ভাও ধৰি হেঙেৰাবাৰীত আত্মগোপন কৰি থকা অৰ্ণৱ ডিব্ৰুগড়ত আৰক্ষীৰ জালত পৰিছিল। উল্লেখ্য যে, বিগত ১৫ আগষ্টত স্বাধীনতা দিৱসৰ দিনটোত আলফা স্বাধীনে অসমৰ ভিন্ন প্ৰান্তত বোমা সংস্থাপন কৰিছিল। কিন্তু পাছত খোদ বিবৃতিযোগে বোমা নিষ্ক্ৰিয় কৰিবলৈ আৰ্জি দিছিল আলফাই। আৰক্ষীয়ে পিছত বিভিন্ন স্থানৰ পৰা বোমা উদ্ধাৰ কৰিছিল। গুৱাহাটীৰ গান্ধী মণ্ডপ, নাৰেংগী আৰ্মী কেম্প, লাষ্টগেট আদিত স্থানৰ পৰা বোমা উদ্ধাৰ হৈছিল।

---

## কোকৰাঝাৰত আটক সন্দেহযুক্ত জেহাদী, উদ্ধাৰ ৰাইফল গুলী-বাৰুদ

**ই-সংবাদ, কোকৰাঝাৰ, ২৫ ডিচেম্বৰঃ** কোকৰাঝাৰত জেহাদীৰ বিশাল পৰিমাণৰ অস্ত্ৰ উদ্ধাৰক লৈ চাঞ্চল্যৰ সৃষ্টি হৈছে। এচটিএফে আটক কৰা সন্দেহযুক্ত জেহাদী আবুল জহৰ শ্বেখ (৩০)ৰ স্বীকাৰোক্তিৰ ভিত্তিত কালি নিশা এচটিএফে কোকৰাঝাৰৰ জয়পুৰ, নামাপাৰাত অভিযান চলাই বৃহৎ পৰিমাণৰ বিস্ফোৰক, অস্ত্ৰ-গুলী-বাৰুদ উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে। অভিযানকালত এচটিএফৰ দলটোৱে চাৰিটা হস্তনিৰ্মিত ৰাইফল, ৩৪ জাঁই সজীৱ গুলী আৰু ২৪টা খালী কাৰ্টুজ উদ্ধাৰ কৰে। তদুপৰি আইইডি নিৰ্মানৰ বাবে ব্যৱহৃত হোৱা সামগ্ৰীও উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে এচটিএফৰ অভিযানকাৰী দলটোৱে। উল্লেখ্য যে যোৱা ১৭ ডিচেম্বৰত কোকৰাঝাৰৰ বিভিন্ন প্ৰান্তত জেহাদীৰ বিৰুদ্ধে অভিযান চলাই এচটিএফে কেবাজনো সন্দেহযুক্ত জেহাদীক আটক কৰিছিল। ১৮ ডিচেম্বৰত আটকাধীন জেহাদীকেইটাক এচটিএফে অধিক সোধপোছৰ বাবে গুৱাহাটীলৈ নিয়ে। ইয়াৰ পিছতেই আবুল জহৰ শ্বেখ (৩০) নামৰ জেহাদী ধৰা পৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নিৰ্লজ্জ কোন? কংগ্ৰেছে ক'লে মুখ্যমন্ত্ৰী

অপমান কৰাত কংগ্ৰেছে ৰাজ্যই ৰাজ্যই অমিত শ্বাহৰ বিৰুদ্ধে আন্দোলন অব্যাহত ৰাখিছে। অসমতো প্ৰতিবাদ অব্যাহত ৰখাত ৰাজ্যৰ ৰাজনীতি গৰম হৈছে। কংগ্ৰেছৰ নেতা-কৰ্মী বাৰে বাৰে ৰাজপথলৈ ওলাই অহাত বিজেপি দল আৰু চৰকাৰ বিপদত পৰিছে। বিশেষকৈ অনুসূচিত জাতি, দলিত, আদিবাসী আদি নাৰাজ হোৱাৰ সময়তে ৰাজ্যৰ মুখ্য বিৰোধী দল কংগ্ৰেছে ৰাজ্য চৰকাৰৰ বিৰুদ্ধে নেৰা-নেপেৰা আন্দোলন আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে আক্ৰমণাত্মক হৈছে। ৰাজভৱনত প্ৰতিবাদ কৰিবলৈ গৈ ১৮ ডিচেম্বৰত মৃদুল ইছলাম নামৰ কংগ্ৰেছ কৰ্মীয়ে প্ৰাণ হেৰুৱাইছিল। কংগ্ৰেছ দলৰ আন্দোলন আৰু আক্ৰমণত বিব্ৰত মুখ্যমন্ত্ৰীগৰাকীয়ে আজি প্ৰত্যুত্তৰ দি কংগ্ৰেছক নিৰ্লজ্জ আখ্যা দিছে। মুখ্যমন্ত্ৰী ড০ শৰ্মাৰ খঙৰ পাৰা উৰ্ধগামী হৈ পৰাত কংগ্ৰেছক ৰঙা চকু দেখুৱাই কংগ্ৰেছৰ লাজ বোলা একো নাই বুলি কয়। মুখ্যমন্ত্ৰীয়ে কয় যে কংগ্ৰেছ এনে এটা দল যাৰ শৰীৰত লাজ বোলা শব্দ শোভা নাপায়। যি কংগ্ৰেছ দলে জৰুৰী অৱস্থা আনিছিল। সংবিধানক নিলম্বিত কৰিছিল। গণতন্ত্ৰক ভৰিৰে মোহাৰি হত্যা কৰিছিল। কংগ্ৰেছ দলে সংবিধান লৈ সমদল কৰাটো এইটো বুজায় যে কংগ্ৰেছ আৰু কংগ্ৰেছীয়ে লাজ নুবুজে। কংগ্ৰেছক নিৰ্লজ্জ বুলি ক'লেও অত্যুক্তি কৰা নহয়। কংগ্ৰেছে ৰাজনৈতিক মুনাফাৰ বাবে আম্বেদকাৰক ব্যৱহাৰ কৰিছে। এনেকুৱা নিকৃষ্ট ৰাজনীতি আজিলৈকে হোৱা নাই। কংগ্ৰেছ নাটক কৰাৰ বাবে যোগ্য। ৭৫ বছৰে শাসনত থাকিও কংগ্ৰেছ দলে কিয় আম্বেদকাৰক ভাৰতৰত্ন নিদিলে? তেওঁলোকৰ শাসনকালত ৰাজীৱ গান্ধী, ইন্দিৰা গান্ধীৰ নামত বহুত আঁচনি কৰিলে, নেহৰুৰ নামত বিশ্ববিদ্যালয় কৰিলে। কিন্তু আম্বেদকাৰৰ নামত কংগ্ৰেছে এটাও আঁচনি নিদিলে। এখন বিশ্ববিদ্যালয় দূৰৈৰ কথা বিদ্যালয় এখনো আম্বেদকাৰৰ নামত নাই। গৌৰৱ গগৈক ৰজা-মহাৰজা বুলি প্ৰতিক্ৰিয়া নিদিওঁ, সৰু মানুহ, সাধাৰণ মানুহৰ কথাৰ প্ৰতিক্ৰিয়া দিম বুলি কয়। মুখ্যমন্ত্ৰীয়ে কংগ্ৰেছক নিলাজ আখ্যা দিয়াত কেবাগৰাকী কংগ্ৰেছ নেতাই মুখ্যমন্ত্ৰীক চাৰিওদিশৰ পৰা আক্ৰমণ কৰিছে। প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই মুখ্যমন্ত্ৰীৰ মন্তব্যৰ প্ৰতিক্ৰিয়া দি আমি ভাৰত ৰত্ন দিয়া ইন্দিৰা গান্ধী আৰু ৰাজীৱ গান্ধীয়ে দেশৰ বাবে নিজৰ জীৱন উছৰ্গা কৰিছিল। স্বদেশ আৰু স্বজাতিৰ প্ৰতি প্ৰাণ দিছিল। দুয়োগৰাকী ব্যক্তিৰ প্ৰতি বিজেপিয়ে কেনে আচৰণ কৰিছে, সদনত কি কি কথা কিয়? সংবিধানৰ প্ৰতি যিসকলৰ শ্ৰদ্ধা আছে তেওঁলোকৰে বাবাচাহেব আম্বেদকাৰৰ প্ৰতি শ্ৰদ্ধা আছে। ভূপেন বৰাই আৰু কয় যে জাতিৰ পিতা মহাত্মা গান্ধীক হত্যা কৰা নাথুৰাম গডছেক পূজা কৰা বিজেপিৰ মানুহৰ কথা দেশৰ মানুহে জানে। বিজেপি কোন? বিজেপি হৈছে নাথুৰাম গডছেক পূজা কৰা দল। অসম প্ৰদেশ কংগ্ৰেছৰ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰাই মুখ্যমন্ত্ৰীক কঠোৰ ভাষাৰে সমালোচনা কৰিছে। বেদব্ৰত বৰাই কয় যে কংগ্ৰেছ যদি নিৰ্লজ্জ তেন্তে মুখ্যমন্ত্ৰী এক নম্বৰ নিৰ্লজ্জ। হিমন্ত বিশ্ব শৰ্মা নিজেই কংগ্ৰেছৰ মানুহ। এতিয়াও তেওঁৰ গাত চালে কংগ্ৰেছ পাব। নিৰ্লজ্জ যদি হয় তেন্তে প্ৰথমে তেওঁৱেই নিৰ্লজ্জ হ'ব বুলি তীব্ৰ আক্ৰমণ কৰে বেদব্ৰত বৰাই। কংগ্ৰেছৰ নেত্ৰী মীৰা বৰঠাকুৰে মুখ্যমন্ত্ৰীৰ মন্তব্যক উভতি ধৰি কয় যে অসম আজি সকলো দিশত পিছপৰা। অসমক উন্নত পাঁচখন ৰাজ্যৰ ভিতৰলৈ উন্নীত কৰাৰ সপোন দেখুৱাইছিল। পুষ্টিহীনতা, ৰক্তহীনতা, ধৰ্ষণ, নাৰী নিৰ্যাতন, শিক্ষাৰ অধোন্নতিৰ ক্ষেত্ৰত এক নম্বৰত বুলি কয় বৰঠাকুৰে। স্কুল এৰা ল'ৰা-ছোৱালীৰ ক্ষেত্ৰত অসম এক নম্বৰত। ধাৰ লোৱাত অসম এক নম্বৰত। এইদৰে এতিয়া তুংগত উঠিছে মুখ্যমন্ত্ৰী আৰু বিৰোধী কংগ্ৰেছৰ মাজৰ বাকযুদ্ধ।

# অসমৰ মহিলাসকলক লৈ 'গতি অসম'ৰ বৃহৎ গ্ৰন্থ উন্মোচন

**গুৱাহাটী, ২৫ ডিচেম্বৰঃ** "নানা প্ৰত্যাহ্বানৰ মাজেৰে অসমৰ নাৰীসকলে সদায় সমাজক ভিন্ন দিশত বিৰল অৱদান আগবঢ়াই জাতিটো চহকী কৰি তুলিছে। সেইসকলৰ নাৰীৰ প্ৰতি সমাজৰ দায়িত্ব আছে, তেওঁলোকৰ আদৰ্শ আৰু নীতিক নতুন প্ৰজন্মৰ মাজত প্ৰচাৰ-প্ৰসাৰৰ প্ৰয়োজন। কিন্তু মাজে মাজে অনুভৱ হয় নাৰীসকলৰ প্ৰতি সমাজ উদাসীন, কিন্তু আজি গতি অসমে এই গ্ৰন্থৰ জৰিয়তে যেন অসমীয়া নাৰীক প্ৰকৃত সন্মান দিলে। ই অসমৰ ইতিহাসত চিৰস্মৰণীয় হৈ ৰ'ব।"- বিশিষ্ট শিক্ষাবিদ, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা ড° লীলাৱতী শইকীয়া বৰাই আজি 'গতি অসম'ৰ দ্বাৰা প্ৰকাশিত 'অসম বৰেণ্যঃ তৃতীয় খণ্ড' [অসমৰ মহিলা বিশেষ -প্ৰথম ভাগ] আনুষ্ঠানিকভাৱে উন্মোচন কৰি এইদৰে কয়। লক্ষ্মীৰাম বৰুৱা সদনত বিয়লি দুই বজাত অনুষ্ঠিত অনুষ্ঠানত গ্ৰন্থখন উন্মোচন কৰি তেওঁ কয় 'অসমৰ নাৰীসকলক লৈ এনে বৃহৎ গ্ৰন্থ এয়েই প্ৰথম আৰু ই জাতিটোৰ বাবে মহৎ কাৰ্য হোৱা বুলি মই অনুভৱ কৰো।' বন্দনা বৰাৰ সৰস্বতী বন্দনাৰে আৰম্ভ হোৱা অনুষ্ঠানত 'গতি অসম'ৰ সভাপতি থানেশ্বৰ মালাকাৰে বন্তি প্ৰজ্বলন কৰি 'গতি অসম'ৰ বিভিন্ন কাৰ্যৱলীৰ বিষয়ে চমুকৈ উল্লেখ কৰে। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি লেখিকা সুনীতি সোনোৱালে সকলো বিষয়ৰে মহিলা সকলৰ জীৱনী গ্ৰন্থখনৰ মাজেৰে নতুন প্ৰজন্মই আমাৰ অসমৰ নাৰী প্ৰতিভাৰ উমান পাব আৰু ইয়াৰ জৰিয়তে কিবা এটা কৰাৰ প্ৰেৰনাও লাভ কৰিব।




বিশিষ্ট লেখক প্ৰভাত গোস্বামীয়ে 'গতি অসম'ৰ প্ৰচেষ্টাৰ সৈতে সদায় জড়িত থাকি কিবা এটা ব্যক্তিক্ৰমী কাম কৰাৰ বাবে সদায় চিন্তা কৰি থকা 'গতি অসম'ৰ সম্পাদকৰ শলাগ লয়। বিশিষ্ট অভিনেত্ৰী মলয়া গোস্বামী আৰু পূৰ্ণিমা শইকীয়াই 'গতি অসম'ৰ জীৱনী প্ৰকল্পই সমাজলৈ এটা মহৎ বৰঙণি যোগোৱা বুলি উল্লেখ কৰে। গ্ৰন্থখনৰ সম্পাদক অনুভৱ পৰাশৰে এটা বছৰ আগতে আৰম্ভ কৰা এই প্ৰকল্পৰ জৰিয়তে অসমীয়া মহিলাসকলৰ জীৱন পৰিক্ৰমাক দাঙি ধৰিবলৈ চেষ্টা কৰা বুলি উল্লেখ কৰি ভৱিষ্যতে আৰু অধিক নাৰীৰ জীৱনক লৈ আন এখন গ্ৰন্থ প্ৰকাশ কৰা হ'ব বুলি কয়। শিশু তথা অসম জাতীয় বিদ্যালয় ছাত্ৰ অৰিয়ন অনুভৱ কলিতা আৰু ডিব্ৰুগড়ৰ পৰা অহা লেখিকা প্ৰণামী গোস্বামীয়ে আঁত ধৰা অনুষ্ঠানটিত নগাঁৱৰ লেখিকা উৰ্মিলা বৰুৱাই এটা কবিতা আবৃত্তি কৰে। অনুষ্ঠানত উপস্থিত থকা গ্ৰন্থখনত জীৱনী সন্নিবিষ্ট থকা শিশু সাহিত্যিক মনোৰমা ভূঞা, চিত্ৰশিল্পী পৰিণীতা বুজৰবৰুৱা, ভাৰতীয় ৰিৰ্জাভ বেংকৰ অৱসৰপ্ৰাপ্ত আঞ্চলিক সঞ্চালক শেৱালী চৌধুৰী, কবি, চিত্ৰশিল্পী ডাঃ নীলিমা ঠাকুৰীয়া হক, শিশু সাহিত্যিক নীলিমা বৰা, শশীপ্ৰভা দাস, খেলুৱৈ সন্ধ্যা বৰুৱা, ভ্ৰাম্যমাণ থিয়েটাৰৰ প্ৰথমগৰাকী মহিলা কণ্ঠশিল্পী, আৰক্ষী বিষয়া ৰেণু বৰফুকন, সংগীত শিল্পী কনিকা ভট্টাচাৰ্যক 'গতি অসম'ৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। অসমৰ বিভিন্ন ঠাইৰ পৰা অহা শতাধিক লেখক-লেখিকা উপস্থিত থকা অনুষ্ঠানটিত 'গতি অসম'ৰ সম্পাদক অনুভৱ পৰাশৰৰ লগতে বিশিষ্ট অতিথিসকলক সম্ভাষণ জনায়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কোনো সামাজিক দায়ৱদ্ধতা নথকা

উদ্বেগ প্ৰকাশ কৰে। বৰ্ষপূৰ্তিৰ শুভক্ষণত 'ই-সংবাদ'ৰ মুখ্য সম্পাদক গুৰু দায়িত্ব লৈ ড০ দীনেশ বৈশ্যই সংবাদমাধ্যম, গণতন্ত্ৰ আদিক লৈ সাৰুৱা ভাষণ প্ৰদান কৰি সংবাদ মাধ্যমক বাট দেখুওৱাৰ প্ৰয়াস কৰে। ভাষণৰ মাজতে দুৰ্নীতিপৰায়ন ৰাজনীতিকৰ কথা উল্লেখ কৰি অন্ধ্ৰপ্ৰদেশৰ এজন বিধায়কৰ উদাহৰণ দাঙি দৰি ড০ দীনেশ বৈশ্যই কয় যে ১৫ বছৰ আগতে প্ৰথমবাৰ নিৰ্বাচন খেলোতে বিধায়কজনৰ সম্পত্তিৰ পৰিমাণ আছিল কেৱল ২০ হাজাৰ টকা। কিন্তু ১৫ বছৰ পিছত মনোনয়ন দাখিলৰ সময়ত তেওঁৰ সম্পত্তিৰ পৰিমাণ হ'ল ৬০ কোটি টকা। ১৫ বছৰৰ ভিতৰত ২০ হাজাৰৰ পৰা ৬০ কোটি কেনেকৈ হ'ল এইটো এটা দায়িত্বপূৰ্ণ সংবাদ হ'ব পাৰে। সকলোকে আহ্বান যে যিসকলে সামাজিক মাধ্যমত বিভিন্নধৰণে সক্ৰিয় হৈ থাকে, যিসকল সাংবাদিক, এই সকলোৱে দায়বদ্ধ সাংবাদিক। এই সকলোৰে সমাজৰ প্ৰতি দায়বদ্ধতা আছে। যিসকল সাংবাদিকে সামাজিক দায়বদ্ধতা এৰি দিছে সেইসকলৰ আৰু ড্ৰাগছ সৰবৰাহকাৰীৰ মাজত পাৰ্থক্য কি থাকিল বুলি প্ৰশ্ন কৰে। ড্ৰাগছ সৰবৰাহকৰীয়ে ড্ৰাগছ বিক্ৰী কৰি বহু টকা উপাৰ্জন কৰে। সেইৰে এজন ইউটিউবাৰে বা সাংবাদিকে কোটিৰ ঘৰত টকা উপাৰ্জন কৰে। যদি বিশ্লেষণৰ ব্যৱস্থাটো টকাত কৰা হয় ইউটিউবাৰেও যিমান উপাৰ্জন কৰে, ড্ৰাগছ পেডালাৰেও সিমান টকা উপাৰ্জন কৰে। কিন্তু সমাজৰ বাবে সাংবাদিজনে কি কৰিব সেয়া অতি গুৰুত্বপূৰ্ণ। আজি মঞ্চত সম্বৰ্ধনা জনোৱা জ্যেষ্ঠ সাংবাদিক সুস্মিতা গোস্বামী, মৃদুল কুমাৰ সন্দিকৈ, ছ'চিয়েল মিডিয়া এক্টিভিষ্ট লুইত কুমাৰ বৰ্মনক অতি দায়িত্বশীল ব্যক্তি বুলি কৈ আমাৰ বাবে আপোনালোকে ভাল কাম কৰিব লাগিব বুলি কয় ড০ দীনেশ বৈশ্যই। তেওঁ কয় যে যদি আপোনালোকে ভাল কাম নকৰে তেন্তে কোনেও ৰক্ষা নপৰে। কিয়নো আমাৰ সন্মুখত বৃহৎ সংকট দেখা দিছে। মহাপ্ৰলয় আহি আছে। ৰাজনৈতিক মহাপ্ৰলয়। মানুহে আজি কিতাপ, বাতৰিকাকত নপঢ়ে বুলি উদ্বেগ প্ৰকাশ কৰি আসাম ট্ৰিবিউনৰ দৰে কাকতৰ সংকটাপন্ন অৱস্থা বুলি দোহাৰি আসাম ট্ৰিবিউনত কাম কৰা মানুহে জনোৱা মতে, কাকতখনে দুটা কিস্তিত দৰমহা দিবলগীয়া হোৱা বুলি কয়। এতিয়া এনেদৰে চাৰিওফালে সংকটে দেখা গৈছে। পথৰ দাঁতিত চৰকাৰে মুখ্যমন্ত্ৰী, মন্ত্ৰীসকলৰ ফটো লগাই বৰ বৰ বেনাৰ লগোৱা প্ৰসংগ উল্লেখ কৰি ড০ বৈশ্যই কয় যে মই যেতিয়া ছয়মাইলৰ পৰা গাঁৱৰ ঘৰলৈ ওলাই যাও তেতিয়া দেখো যে মুখ্যমন্ত্ৰীৰ ফটো, মন্ত্ৰীৰ ফটো দেখা পাও। মই দেখিছো সকলোৱে দেখিছে। ৰাজ্য শাসকৰ ফটোবোৰ লগাই কিমান টকা খৰচ কৰিছে। কিন্তু চৰকাৰে কিমান টকা খৰচ কৰিছে কৰোবাত এটা বিশ্লেষণ কৰি সংবাদ ওলাই নেকি? কৰবাত সামাজিক মাধ্যমত কথাটো কোনোবাই লিখিছেনে? এনেকৈ ফটো চপাবলৈ ৰাজহুৱা ধনৰ শৰাধ কৰিছে। মিডিয়া যিমানে দায়িত্বহীন হ'ব সিমানে গণতন্ত্ৰ খতম হ'ব ধৰিব। বিশ্বৰ বিভিন্ন দেশৰ গণতন্ত্ৰ এতিয়া কাম কৰি থকা নাই বুলি আক্ষেপ কৰি বৈশ্যই কয় যে বিশ্বৰ দেশে দেশে এতিয়া গণতন্ত্ৰ বিপন্ন হৈছে। গণতন্ত্ৰ মহাসংকটৰ সন্মুখীন হৈছে। আমি গণতন্ত্ৰৰ চাৰিটা খুঁটাৰ কথা জানো। তিনি পালিকাৰ কথাটো আমি জানোৱেই। তিনিটা খুঁটা ভাঙি গৈছে। কিন্তু চতুৰ্থটো খুঁটা মিডিয়া এতিয়া বিক্ৰী গৈছে। ডাঙৰ ডাঙৰ সম্পাদকে কাম কৰা, সাংবাদিক থকা সংস্থা এতিয়া পেইড মিডিয়া। আমি সাংবাদিসকলে ৰাইজৰ ক্ষতি কৰি আছো। পুৰাই কাকতখন ৬ টকা, ৭ টকা বা ১০-১৫ টকাত কিনি পঢ়ো। কিন্তু আজি কাকতৰ সাংবাদিকৰ দ্বাৰা টকা উপাৰ্জন কৰা হৈছে। সেইকাৰণে আজি মানুহে কাকত নপঢ়ে। একাংশ ইউটিউবাৰক সমালোচনা কৰি ড০ বৈশ্যই অতি নিম্নস্তৰৰ কথা-বতৰা কোৱা বাবে একাংশ মানুহে বেয়া পায় যদিও তেনে ইউটিউবাৰক বিশ্ববিদ্যালয়লৈ মাতি নি মুখ্য অতিথি কৰা হয় বুলি কয়। মানুহবোৰৰ হ'ল কি! মহাবিদ্যালয়-বিশ্ববিদ্যালয়ৰ বিলাকৰ হৈছে কি? মানুহবোৰ আজিকালি পগলা হ'ল নেকি বুলি আক্ষেপ কৰে। ভাৰতখনক চলাবলৈ এখন সংবিধান আছে বুলি উল্লেখ কৰি ড০ বৈশ্যই কয় যে ভাৰতত ১৪০ কোটি লোক আছে। মানুহক চলাবলৈ এখন সংবিধান আছে। মানুহেই দেশখন। দেশ মানে এজন মানুহ নহয়। এজন মন্ত্ৰী, এজন প্ৰধানমন্ত্ৰী বা এজন ৰাষ্ট্ৰপতি নহয়। গ্ৰুপ অৱ কেবিনেট নহয়। ৰাজ্যখন মানে এনে নহয় যে মুখ্যমন্ত্ৰী বা কেইজনমান মন্ত্ৰীয়েই ৰাজ্য নহয়। মানুহেই দেশ, মানুহেই ৰাজ্য। এই মানুহৰ বাবেই দায়িত্ব থকা মিডিয়াই কিমানদূৰ দায়িত্ব লৈ চলিছে। কিন্তু আমি আজি এটা কথাকহে গুৰুত্ব দিও যে আমি ইউটিউব, ফেচবুকৰ পৰা কিমান উপাৰ্জন কৰিছো। কাৰ কাৰণে চিনেমা কৰিছা, কাৰ কাৰণে ইউটিউব কৰিছো বুলি প্ৰশ্ন সুধি বৈশ্যই আৰু কয় যে এইবোৰ কাৰ কাৰণে কৰিছো। মানুহক চলিবলৈ পইচা লাগিব। কিন্তু আপোনাৰ দায়িত্ব কি? বিশিষ্ট বুদ্ধিজীৱীগৰাকীয়ে এগৰাকী নবেল বঁটা বিজয়ীৰ উদাহৰণ দাঙি ধৰে। দুটা বিষয়ৰ গৱেষক আৰু পদাৰ্থ বিজ্ঞানৰ ন'বেল বঁটা পোৱাৰ পিছতো উপলব্ধি কৰিছিল যে তেওঁ একো ভাল কাম কৰা নাছিল। তেওঁতকৈ পিতৃয়ে ভাল কাম কৰিছিল। কিয়নো পিতৃয়ে খেতি কৰিছিল। খেতিৰ উৎপাদিত সামগ্ৰী মানুহে খাব পাৰিছিল। 'ই-সংবাদ'ক আগুৱাই যোৱাৰ পৰামৰ্শ দি সম্পাদকগৰাকীয়ে বড়ো সম্প্ৰদায়ৰ দুজন বড়ো মানুহৰ কাহিনী ব্যক্ত কৰে। গধূলি এজন চেঙেলীয়া আৰু এজন বুঢ়া মানুহ পথাৰলৈ গৈ আছিল। গধুলি আকাশখন আন্ধাৰ হ'ল। আকাশ আন্ধাৰ হৈ আহিছে বৰষুণ আহিব পাৰে। সৰু ল'ৰাটো পিছত আৰু বুঢ়াজন আগে আগে। সৰু ল'ৰাটোৱে কৈছে ঐ বৰডেকা বৈহান আহিব অ'। ডাঙৰজনে মাত নিদিয়াকৈ তাৰ বাটেৰে সি গৈ আছে। ৫ মিনিটমান পিছত সৰুটোৱে বৰষুণ অহাৰ কথা আকৌ কৈছে। সেই একেটা কথাকে দহবাৰমান কৈছে। তেতিয়া ডাঙৰজনৰ খং উঠিল। তেতিয়া পিছফালে ঘূৰি চাই ডাঙৰজনে ক'লে বৈহান আহিলে গম পাবি নহয়। কি বকবকাই আছে। তাৰ অৰ্থ এইটো যে জ্যেষ্ঠজনৰ মূৰৰ ওপৰেৰে এনে অজস্ৰ গৰ্জনী, বজ্ৰপাত, মেঘ পাৰ হৈ গৈছে। মোৰ জীৱনত এনে বতাহ-ধুমুহা বহুত পাৰ হৈ গৈছে। সেয়া হৈছে অভিজ্ঞতা। অভিজ্ঞতাই মানুহক নিৰ্ভীক কৰে। তেনেদৰে নিউজ নেক্সট ওৱান আৰু ই-সংবাদক সকলো বাধা-বিঘিনি আতৰি আগুৱাই যাবলৈ কয়। এখন কাকত পঢ়িবলৈ বাদ দিয়া বুলি কৈ বৈশ্যই কয় যে সেই কাকতখনত মই ৭ বছৰ লিখামেলা কৰিছিলো। সেই লিখাবোৰে চাঞ্চল্যৰ সৃষ্টি কৰিছিল। কিন্তু আজিকালি কাকতখনত প্ৰথম পৃষ্ঠা কেৱল মুখ্যমন্ত্ৰীৰ কথা, মন্ত্ৰীৰ মন্তব্য-ফটো আদিৰে ভৰি থাকে। ফেচবুক, ফিল্ম, নিউজ পেপাৰ নাৰ্চিচিষ্টত পৰিণত হোৱা বুলি কৈ ড০ বৈশ্যই কয় যে সি তাৰ মুখখন দেখা নাছিল। এদিন সি নিজৰাৰ পানীত নিজৰ মুখখন দেখিলে। সি নিজকে দেখি কি ধুনীয়া মানুহ বুলি কৈ তাকে চাই চাই তাতে সি মৰি থাকিল। তাকে কয় আত্মমুগ্ধতা। আজিৰ মানুহ আত্মমুগ্ধ। ডাই হাৰ্ড নামৰ বোলছবিখনৰ উদাহৰণ দাঙি ধৰি বৈশ্যই কয় যে ছবি নিৰ্মাতাগৰাকীয়ে হৈছিল আমি ভুচি বিক্ৰী কৰি আছো আৰু মানুহে ভুচি ক্ৰয় কৰিছে আৰু খাইছে। বহুত পিছতহে গম পালে যে আমি যিটো ধুনীয়া কেক বনাও সেইটো আটা বা ময়দাৰ কেক নহয়। এইটো ভুচিৰ কেক। তেওঁ এই প্ৰসংগটো মিডিয়াক লৈ উল্লেখ কৰে। মিডিয়াই এতিয়া ভুচি বিক্ৰী কৰিছে। আমি ভুচিৰ তৈয়াৰী কেক কিনিছো। অসমীয়া সংবাদজগতত নিউজ নেক্সট ওৱানত প্ৰকাশ পোৱা ড০ দীনেশ বৈশ্যৰ ছিৰিজৰ দৰে ছিৰিজ কেতিয়াও হোৱা নাই বুলি প্ৰকাশ কৰি সেই ভিডিঅ' ছিৰিজ নিৰ্ভীক, কোনো পক্ষপাতিত্ব নাছিল বুলি কয়। বাচ-বিচাৰ নোহোৱাকৈ সকলোকে সমালোচনা কৰিছো। সকলোতকৈ ডাঙৰ কথাটো হ'ল প্ৰতিটো প্ৰাসংগিক কথাক লৈ অধ্যয়ন কৰো, আঁতিগুৰি উলিয়াবলৈ চেষ্টা কৰো। ৰাষ্ট্ৰীয় আৰু আন্তৰ্জাতিক পৰ্যায়ত এই ঘটনা-পৰিঘটনাৰ কি সম্পৰ্ক আছে সেইবোৰ উলিয়াবলৈ চেষ্টা কৰো। তেনেকৈয়ে প্ৰায় এশটা মান বা ৮০টা মান বক্তৃতা তেনেদৰেই প্ৰথমে ফেচবুকলৈ গ'ল। পিছলৈ ইউটিউবত বহু কেইটা ভিডিঅ' আছিলে। অসমৰ সংবাদজগতৰ ইতিহাসত এই এশটা বা আশীটা বক্তব্য অতি মূল্যৱান বুলিও কয় ড০ বৈশ্যই।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# 'ডঁৰিয়লি কলাঘৰ'ৰ তৃতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱস সম্পন্ন

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ২৫ ডিচেম্বৰঃ** বৃহত্তৰ চাবুৱা অঞ্চলৰ অগ্ৰণী সামাজিক-সাংস্কৃতিক অনুষ্ঠান 'ডঁৰিয়লি কলাঘৰ'ৰ তৃতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱসটি বুধবাৰে দিনযোৰা কাৰ্যসূচীৰে উলহ-মালহেৰে ৰহমৰীয়া বালিচাপৰিত অনুষ্ঠিত হয়। এই উপলক্ষে পুৱা পতাকা উত্তোলন কৰে 'ডঁৰিয়লি কলাঘৰ'ৰ উপাধ্যক্ষ অৰুণ বৰপাত্ৰগোহাঁয়ে। 'ডঁৰিয়লি কলাঘৰ'ৰ এসময়ৰ বিত্ত সচিব তথা প্ৰাক্তন ছাত্ৰ নেতা স্বৰ্গীয় দ্বীপজ্যোতি গগৈৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰা হয়। অনুষ্ঠানটোত স্বৰ্গীয় দ্বীপজ্যোতি গগৈৰ পিতৃ অমৃত কুমাৰ গগৈ বিশেষভাৱে উপস্থিত থাকি বক্তব্য আগবঢ়ায়। ৰহমৰীয়াৰ 'কলাঘৰ'ৰ শিশুসকলে এটি কোৱাছ পৰিৱেশন কৰাৰ লগতে নৃত্য প্ৰদৰ্শনেৰে সকলোকে মুগ্ধ কৰি তোলে। ইয়াৰ পাছতে 'ডঁৰিয়লি কলাঘৰ'ৰ সচিব নিপুল কোঁৱৰে আদৰণি ভাষণ প্ৰদান কৰে। বিশাল কোঁৱৰ, কবিতা বৰপাত্ৰ গোহাঁই, পুষ্পাঞ্জলি গগৈ, হিৰুমা শইকীয়া, বুলু হাজৰিকা, দিপালী শইকীয়া, মৌচুমী নেওগ, স্বৰ্ণালী ফুকন, জুবি গোহাঁই, কল্যাণ বৰুৱা, পূৰ্ণিমা দিহিঙীয়া, জোন গগৈ, হেমেন কুমাৰ চাংমা, পূৰবী খনিকৰ, গৌৰিত গগৈ, সুৰম্য প্ৰিয়দৰ্শনকে আদি কৰি প্ৰায় অৰ্ধশতাধিক কবিয়ে কবিতা পাঠ কৰে। বিশেষভাৱে উপস্থিত থাকি শুভেচ্ছামূলক বক্তব্য ৰখা ডিব্ৰুগড় জিলা সাহিত্য সভাৰ নৱনিৰ্বাচিত সম্পাদক ভাগ্যেশ্বৰ গগৈ, চাবুৱা সাহিত্য সভাৰ সভাপতি জগজীৱন গগৈ, চাবুৱা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি-সম্পাদক প্ৰণৱজ্যোতি দত্ত, পূৰ্ণজ্যোতি দত্তই 'ডঁৰিয়লি কলাঘৰ'ৰ প্ৰতিটো অনুষ্ঠানেই ব্যতিক্ৰম আৰু ইতিবাচক ধ্যান ধাৰণাৰে অনুষ্ঠিত হয় বুলি কোৱাৰ লগতে ব্যতিক্ৰমিতাৰ পৰিচয় দি সকলোৰে আপোন হে পৰা বুলি উল্লেখ কৰে। চাবুৱাৰ শিক্ষাবিদ প্ৰশান্ত নেওগ, নাট্যকৰ্মী জয়ন্ত সন্দিকৈ, লাহোৱালৰ শিক্ষাবিদ, সমাজসেৱক ডঃ দয়ানন্দ শ্বাহ, ৰহমৰীয়াৰ যুৱ ব্যৱসায়ী, সমাজকৰ্মী ৰূপম কোঁচ, ৰহমৰীয়া অঞ্চলৰ একমাত্ৰ এ পি এছ চি পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ লাভ কৰা সুস্মিতা বৰুৱাক বিশেষভাৱে সম্বৰ্ধনা জনায়। অনাঁতাৰ কণ্ঠশিল্পী চন্দ্ৰকান্ত ফুকন, পূৰ্ণেন্দু বৰা, লভিতা দাস আদিকে ধৰি বহুকেইজন কণ্ঠশিল্পীয়ে সংগীত পৰিৱেশনেৰে জীপাল কৰি তোলা অনুষ্ঠানত মৃদুপৱন চেতিয়াৰ সভাপতিত্বত আৰু কাবেৰী দত্ত বৰুৱাৰ সম্পাদনাত প্ৰকাশ পোৱা 'ডঁৰিয়লি কলাঘৰ'ৰ মুখপত্ৰ 'ডঁৰিয়লি' উন্মোচন কৰে চাবুৱা সমষ্টিৰ বিধায়ক পোনাকণ বৰুৱাই। উন্মোচকৰ বক্তব্যত তেখেতে 'ডঁৰিয়লি কলাঘৰ' সকলোকে সাহিত্য-সাংস্কৃতিক দিশটো আগবঢ়াই লৈ যোৱাৰ বাবে প্ৰশংসা কৰাৰ লগতে এনেবোৰ অনুষ্ঠানত উপস্থিত হ'বলৈ পালে সুখী হয় বুলি জনায়। প্ৰতিষ্ঠা দিৱসৰ উপলক্ষে আয়োজিত চিত্ৰাংকন প্ৰতিযোগিতাত বিজয়ীসকলকো মঞ্চত পুৰস্কৃত কৰে। অজয় গোহাঁয়ে শলাগৰ শৰাই আগবঢ়োৱা অনুষ্ঠানটোত সন্ধিয়ালৈ গীত পৰিৱেশন কৰে প্ৰতিষ্ঠিত জনপ্ৰিয় কণ্ঠশিল্পী দিগন্ত গোহাঁয়ে। কৃষ্টিপ্ৰিয়া দত্ত, নিখিলেশ চেতিয়া, দ্বীপলিনা বৰুৱা, অনুসূয়া দত্তৰ দৰে উদীয়মান নৃত্যশিল্পীসকলে নৃত্য পৰিৱেশন কৰে। অনুষ্ঠানটোত উপস্থিত থাকি সাৰ্থকতা প্ৰদান কৰাৰ বাবে সকলোটিলৈ উদ্‌যাপন সমিতিৰ সভাপতি দীননাথ দত্ত, কাৰ্যকৰী সভাপতি সমৰ গোহাঁই, সম্পাদকদ্বয় মানস দত্ত, ভাস্কৰ মৰাণ, ব্যৱস্থাপক দিব্যজ্যোতি লাহন, পংকজ মাউত, এলেনে বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰে।

## অধিক লাভৰ বাবে অসাধু চক্ৰই বিক্ৰী কৰি আহিছে পশ্চিমবংগত

# দিনে নিশাই বংগলৈ চালান হৈছে অসমৰ ইটা

**ই-সংবাদ, গোলকগঞ্জ, ২৫ ডিচেম্বৰঃ** ধুবুৰী জিলাৰ আগমনি থানাৰ বিভিন্ন অঞ্চলৰে দিনে নিশাই নিৰ্বিঘ্নে কৰ ফাঁকি দি পশ্চিমবংগলৈ ইটা সৰবৰাহ কৰি থকা ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ৰাজ্যৰ ৰাজকোষ টনকিয়াল কৰাৰ বাবেই চৰকাৰে বিভিন্ন সামগ্ৰীৰ কৰ বৃদ্ধি কৰি থকাৰ সময়তে অসম-পশ্চিমবংগ সীমান্তত আৰক্ষীৰ জ্ঞাতসাৰে কৰ ফাঁকিৰে অবৈধ ব্যৱসায় অব্যাহত আছে। জানিব পৰা মতে গোলকগঞ্জ-আগমনি ৰাজহ চক্ৰ এলেকাত অবৈধ ইটা ভাটা কাঠফুলাৰ দৰে গঢ় লৈ উঠিছে। প্ৰয়োজনীয় নথি-পত্ৰ বিহীনভাৱে একাংশ বিষয়াৰে গোপন বুজাবুজিত ইটা ভাটাসমূহ চলি আছে। তদুপৰি ভাটাসমূহত প্ৰস্তুত কৰা ইটাসমূহ বিক্ৰীৰ ক্ষেত্ৰত ব্যাপক দুৰ্নীতি-অনিয়মৰ তথ্য পোহৰলৈ আহিছে। ইটাসমূহ অধিক লাভৰ বাবে বিক্ৰী কৰে পশ্চিমবংগত। অসাধু ব্যৱসায়ীয়ে জিএছটি ফাঁকি দি বলেৰো পিকআপ ভেনেৰে আগমনিৰ খেৰবাৰীয়েদি পশ্চিমবংগ লৈ চালান কৰে। একমাত্ৰ পশ্চিমবংগলৈ চালানত সুযোগৰ বাবে খেৰবাৰী ভামডাঙাত ব্যাপক হাৰত বৃদ্ধি পাইছে ইটা ভাটাৰ সংখ্যা। খেৰবাৰী পশ্চিমবংগলৈ ইটা চালানৰ কৰিডৰত পৰিণত হৈছে যদিও নীৰৱ দৰ্শকৰ ভূমিকা গ্ৰহণ কৰিছে আগমনি আৰক্ষী। ইটা ভাটাৰ মালিকসকলৰ লগত আগমনি আৰক্ষীৰ গোপন মিতিৰালিৰ বাবে সীমান্তৰ অঞ্চলটোত কৰ ফাঁকিৰ জোৱাৰ উঠিছে। ইয়াৰ এক উচ্চ পৰ্যায়ৰ তদন্তৰ দাবী জনাইছে ৰাইজে।




**অনলাইন দৈনিক কাকত 'ই-সংবাদ'ৰ প্ৰথম বৰ্ষপূৰ্তি অনুষ্ঠানৰ এটি বিশেষ মুহূৰ্ত, গুৱাহাটী প্ৰেছ ক্লাৱত বুধবাৰে**

# মৰাণত গৰু চোৰ সজাই চাৰি যুৱকক নিৰ্মম প্ৰহাৰ এদল উদণ্ড লোকৰ

**ই-সংবাদ, মৰাণ, ২৫ ডিচেম্বৰঃ** মৰাণত এইবাৰ মৰেল পুলিচিঙৰ ঘটনা সংঘটিত হৈছে। মৰাণৰ খুমটাই হ'লমাৰী পথত নিশা চাৰি যুৱকৰ সৈতে সংঘটিত হয় এই ঘটনা। টেলিকম বিভাগত কৰ্মৰত পংকজ বৰুৱা, পথালিবামৰ চুবল গগৈ, পালেঙীৰ অপূৰ্ব গগৈ আৰু মনোজ চাংমাইয়ে মংগলবাৰে নিশা নিজৰ কৰ্ম সম্পাদনৰ বাবে হ'লমাৰী পথত গৈ থকা অৱস্থাত প্ৰায় ১০জনীয়া এটা যুৱকৰ দলে তেওঁলোকৰ AR12A2020 নম্বৰৰ স্কৰপিঅ' বাহনখন আগভেটা দি ৰখায়। ইয়াৰ পিছত গাড়ীৰ ভিতৰৰ পৰা তেওঁলোকক উলিয়াই আনি গৰু চোৰ সজাই নিৰ্মম প্ৰহাৰ কৰে উদণ্ড যুৱকৰ দলটোৱে। কেৱল ইমানেই নহয়, গাড়ীখন বিস্তৰ ক্ষতিসাধন কৰাৰ লগতে তেওঁলোকক হত্যা কৰিবলৈও উদ্যত হয় যুৱকৰ দলটোৱে। ইফালে আৰক্ষী উপস্থিত হোৱাৰ পিছতো হেনো যুৱক চাৰিজনক উদণ্ড যুৱকৰ দলটোৱে বৰ্বৰ প্ৰহাৰ অব্যাহত ৰাখে। যুৱকৰ দলটোৱে সোণৰ চেইন, ম'বাইল ফোন আৰু নগদ ধন কাঢ়ি লৈ যোৱাৰো অভিযোগ তুলিছে ভুক্তভোগী যুৱককেইজনে। ভুক্তভোগী যুৱককেইজনে ইতিমধ্যে মৰাণহাট থানাত এজাহাৰ দাখিল কৰিছে ।

# কাম কৰিবলৈ গৈ অৰুণাচলত নিৰুদ্দেশ ডুমডুমাৰ জিতেন

**ই-সংবাদ, ডুমডুমা, ২৫ ডিচেম্বৰঃ** তিনিচুকীয়া জিলাৰ ডুমডুমা আৰক্ষী থানাৰ অন্তৰ্গত ধলা আহোম গাওঁ নিৱাসী তথা তিনি সন্তানৰ পিতৃ জিতেন উৰাং (৩৮) ক গাওঁ খনৰে সত্য গগৈৰ পুএ ৰুপান্তৰ গগৈয়ে কামলৈ বুলি অৰুণাচলৰ ডাম্বুকৰ কানঞ্চিন লৈ যোৱা ১৩ ডিচেম্বৰত লৈ যোৱাৰ পাছৰে পৰাই নিৰুদ্দেশ হৈ থকাৰ তথ্য পোৱা গৈছে। ঘটনাৰ সন্দৰ্ভত নিৰুদ্দিষ্ট যুৱক জিতেন উৰাংৰ পত্নী পিংকী উৰাঙে আজি তিনিচুকীয়া জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষকক ঘটনাৰ সন্দৰ্ভত দাখিল কৰা এজাহাৰৰ বিৱৰণী অনুসৰি, কাম কৰিবলৈ বুলি ১৩ ডিচেম্বৰত ঘৰৰ পৰা লৈ যোৱা জিতেন উৰাঙৰ পৰিয়ালৰ লোকক অৰুণাচলৰ পৰা ৰূপান্তৰ গগৈয়ে ১৫ ডিচেম্বৰত ফোন যোগে জিতেন কামৰ ঠাইৰ পৰা অন্তৰ্ধান হোৱা বুলি জনায়। লগে লগে জিতেনৰ ভায়েকে ককায়েক জিতেনক বিচাৰি অৰুণাচলৰ কামৰ ঠাইত গৈ উপস্থিত হৈ বিচাৰ-খোচাৰ কৰে যদিওঁ ককায়েক জিতেনৰ কোনো সন্ধান নোপোৱাত ঘৰলৈ ঘূৰি আহে। ঘটনাৰ সন্দৰ্ভত যোৱা ১৯ ডিচেম্বৰত পৰিয়ালৰ লোকে ঘটনাৰ সন্দৰ্ভত এজাহাৰ দাখিল কৰাৰ উদ্দেশ্যেৰে স্থানীয় তালাপ আৰক্ষী চকীত উপস্থিত হয় যদিওঁ তালাপ আৰক্ষীয়ে পৰিয়ালটিৰ এজাহাৰ গ্ৰহণ কৰাৰ পৰা বিৰত থাকে। পৰিয়ালৰ লোকে ঘটনাৰ সন্দৰ্ভত চাৰিদিন তালাপ আৰক্ষীৰ কাষ চাপে যদিওঁ এজাহাৰ গ্ৰহণ নকৰাত উপায়হীন হৈ দুৰ্ভগীয়া পৰিয়ালটিয়ে অৱশেষত তিনিচুকীয়া জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষকৰ কাষ চাপে। দুৰ্ভগীয়া পৰিয়ালটিয়ে ঘটনাৰ সন্দৰ্ভত অতিৰিক্ত আৰক্ষী অধীক্ষক গৰাকীক এজাহাৰো দাখিল কৰে। তিনিচুকীয়া জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক মৃন্ময় দাসে ফোন যোগে দুৰ্ভগীয়া পৰিয়ালটিক আশ্বাস দিয়াত দুৰ্ভগীয়া পৰিয়ালটিয়ে কিছু সকাহ অনুভৱ কৰিছে।



## উচিত শিক্ষাৰে নতুন প্ৰজন্মক শিক্ষিত কৰক, সমাজ উজ্বলি উঠিব

# গোমাফুলবাৰী অমৰজ্যোতি ক্লাৱৰ সোণালী জয়ন্তী উদযাপন

**ই-সংবাদ, ২৫ ডিচেম্বৰঃ** প্ৰতিষ্ঠাৰ ৫০টা বৰ্ণিল বৰ্ষ অতিক্ৰম কৰা বৰপেটা জিলাৰ পূব প্ৰান্তৰ অগ্ৰণী ক্ৰীড়া সংস্থা গোমাফুলবাৰী অমৰজ্যোতি ক্লাৱে স্থানীয় সমাজখনৰ বাবে বিৰল বৰঙণি আগবঢ়ায় আহিছে। শিক্ষা-সাহিত্য, কৃষ্টি-সংস্কৃতি, সমাজ সংস্কাৰৰ হকে কাম কৰি অহা ঐতিহ্যমণ্ডিত ক্ৰীড়া অনুষ্ঠানটোৱে ২২-২৫ ডিচেম্বৰলৈ ৫ দিনীয়া বৰ্ণিল কাৰ্যসূচীৰে ৫০ সংখ্যক প্ৰতিষ্ঠা দিৱস তথা সোণালী জয়ন্তী বৰ্ষ উলহ-মালহেৰে পালন কৰিছে। পতাকা উত্তোলন, বৃক্ষৰোপণ, শোভাযাত্ৰা, খেল-ধেমালি প্ৰতিযোগিতা, ছাফাই অভিযান আদি অনুষ্ঠিত হয়। ২৪ ডিচেম্বৰত দিনটোত বিশেষ মুকলি সভা অনুষ্ঠিত হৈ যোৱাৰ পিছতে নিশা বিশেষ সাংস্কৃতিক সন্ধিয়া অনুষ্ঠিত হয়। মহম্মদ আলী-মাৰফৎ আলী সমন্বয় ক্ষেত্ৰৰ লিয়াকৎ আলী খান সোঁৱৰণী মঞ্চৰ সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰে বিশিষ্ট যুৱ সমাজকৰ্মী ছফি জামাল হুছেইনে। ছফি জামাল হুছেইনে গোমাফুলবাৰীবাসীক কাতৰ আহ্বান জনাই সমাজৰ প্ৰতিগৰাকী লোকক মূল লক্ষ্য শিক্ষা আৰু জ্ঞানৰ প্ৰসাৰ হ'ব লাগে বুলি কয়। হুছেইনে আৰু কয় যে আমাৰ উন্নয়ন, জ্ঞান আৰু শিক্ষাইহে সম্ভৱ কৰিব পাৰিব। একাংশ ৰাজনীতিকে আমাক লঘু-লাঞ্চনাৰ পাত্ৰ কৰি ক্ষমতা উপভোগ কৰিছে। আমি নিজেই একো একোগৰাকী পাৰদৰ্শি আৰু সক্ষম লোক হ'ব লাগিব যাতে আমাৰ নিজৰ ঘৰখনৰ লগতে সমাজৰ হকে কাম কৰিব পাৰো। তেতিয়াই কোনো ৰাজনৈতিক দলৰ নেতাক আমি খাতিৰ কৰিব নালাগে। উচিত শিক্ষাৰে নতুন প্ৰজন্মক শিক্ষিত কৰক। দেখিব সমাজৰ নিজেই নিজেই উজ্বল হৈ উঠিব।

# ড০ নগেন শইকীয়ালৈ সাহিত্যাচাৰ্য যজ্ঞেশ্বৰ শৰ্মা সোঁৱৰণী বঁটা

**ই-সংবাদ, ডিব্ৰুগড়, ২৫ ডিচেম্বৰঃ** ৰাজ্যৰ প্ৰথিতযশা সাহিত্যিক, অসম সাহিত্য সভাৰ দুবাৰকৈ সভাপতিৰ আসন অলংকৃত কৰা, ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ, ৪০ খনতকৈও অধিক গ্ৰন্থ প্ৰণয়ন কৰা, মিতভাষ স্ৰষ্টা ড০ নগেন শইকীয়াক বুধবাৰে ডিব্ৰুগড়ৰ মিলন নগৰত থকা বাসগৃহ 'বৰ্ণমালা'ত এক গাম্ভীয্যপূৰ্ণ অনুষ্ঠানত সাহিত্যাচাৰ্য যজ্ঞেশ্বৰ শৰ্মা সোঁৱৰণী বঁটা প্ৰদান কৰা হয়। বঁটা গ্ৰহণ কৰি তেওঁ আমাৰ দেওবৰীয়া বাৰ্তা, ছানডেৰ সম্পাদকসহ তেওঁলোকৰ ট্ৰাষ্টক ধন্যবাদ জ্ঞাপন কৰে আৰু তেওঁলোকে সুদূৰ গুৱাহাটীৰ পৰা কষ্ট কৰি আহি এই বঁটাটি দিয়াত আনন্দ প্ৰকাশ কৰে। লগতে সাহিত্যাচাৰ্য যজ্ঞেশ্বৰ শৰ্মাৰ জীৱনৰ বহু ৰসাল কাহিনী কৈ সকলোকে আপ্লুত কৰে। উল্লেখ্য যে আমাৰ দেওবৰীয়া-ছানডে আৰু অনুপ্ৰেৰণা ট্ৰাষ্টৰ উদ্যোগত প্ৰতিবছৰে এই অনুষ্ঠানটোৱে একোগৰাকীকৈ বিশিষ্ট ব্যক্তি তথা সাহিত্যিকক সাহিত্যাচাৰ্য যজ্ঞেশ্বৰ শৰ্মা সোঁৱৰণী বঁটা প্ৰদান কৰি আহিছে। সেই হিচাপে ২০২৪ চনৰ এই বঁটাটি প্ৰথিতযশা সাহিত্যিক ড০ নগেন শইকীয়াক প্ৰদান কৰে। শিক্ষাবিদ, ঔপন্যাসিক, গল্পকাৰ, অধ্যাপক, মিতভাষ স্ৰষ্টা ড০ শইকীয়াই ইতিমধ্যে অসম উপত্যকা সাহিত্য বঁটা, ডিব্ৰুগড় ৰত্ন, সাহিত্য অকাডেমী বঁটা, কৃষ্ণ কান্ত সন্দিকৈ বঁটাকে ধৰি জীৱন কালত অজস্ৰ বঁটা সন্মান লাভ কৰিছে। সাহিত্যাচাৰ্য যজ্ঞেশ্বৰ শৰ্মা সোঁৱৰণী বঁটা প্ৰদান কৰি আমাৰ দেওবৰীয়া বাৰ্তা-ছানডে নিউজ কাকতৰ প্ৰতিষ্ঠাপক সম্পাদক, সাংবাদিক, বিশিষ্ট লেখক, দীপজ্যোতি শইকীয়াই কয় যে ২০২৪ বৰ্ষৰ এই বঁটাটি ড০ নগেন শইকীয়া চাৰৰ দৰে এগৰাকী বিজ্ঞলোকক দিবলৈ পাই আমি নিজকে ধন্য মনিছো। চাৰৰ আমি সু স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিছোঁ লগতে তেওঁৰ পৰা আমি আৰু বহুতো সৃষ্টিশীল লেখা কামনা কৰিছোঁ। এই বঁটাত আছে চেলেং-চাদৰ, পাটৰ ফুলাম গামোচা, কাঁহৰ জাপি আৰু এখন জীৱন পৰিক্ৰমাক লৈ লিখা মানপত্ৰ। আৰম্ভণিতে আমাৰ দেওবৰীয়া বাৰ্তা-ছানডে নিউজৰ সম্পাদক দীপ জ্যোতি শইকীয়াই কয় যে সাহিত্য সংস্কৃতিৰ লগতে বিভিন্ন ক্ষেত্ৰত অৱদান আগবঢ়োৱা ৰাজ্যখনৰ বিশিষ্ট ব্যক্তিক প্ৰতিবছৰে দেওবৰীয়া বাৰ্তা-ছানডে নিউজ আৰু অনুপ্ৰেৰণা ট্ৰাষ্টৰ উদ্যোগত এই বঁটা প্ৰদান কৰি আহিছে। সেই অনুসৰি এইবছৰ ড০ নগেন শইকীয়াক দিবলৈ পাই নিজকে গৌৰৱ অনুভৱ কৰা বুলি সম্পাদক শইকীয়াই কয়।

# যোগ্য শিক্ষক বঞ্চিত! ডুমডুমীয়া বালিসত্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় অধ্যক্ষ নিযুক্তিত জালিয়াতি

**ই-সংবাদ, বেবেজীয়া, ২৫ ডিচেম্বৰঃ** নগাঁও জিলাৰ ডুমডুমীয়া বালিসত্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিগত ২০২৩ চনৰ ২৯ ডিচেম্বৰত হোৱা ভাৰপ্ৰাপ্ত অধ্যক্ষ নিযুক্তিৰ বিষয়টো এঘাৰ মাহৰ উকলি যোৱাৰ পিছত অসম মাধ্যমিক শিক্ষা সঞ্চালকৰ কাৰ্যালয়ে নগাঁও জিলা সংমণ্ডলৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকলৈ পুনৰ তদন্তৰ বাবে নিৰ্দেশ দিয়া ঘটনাই চৰ্চা লাভ কৰিছে। উল্লেখ্য যে নগাঁও জিলা সংমণ্ডলৰ বিদ্যালয়সমূহৰ তদানীন্তন পৰিদৰ্শক প্ৰভাত চন্দ্ৰ দাসৰ কাৰ্যকালত ২০২৩ চনৰ ১২ ডিচেম্বৰত ডুমডুমীয়া বালিসত্ৰ উচ্চতৰৰ মাধ্যমিক বিদ্যালয়ৰ পৰা ২০২৩ চনৰ ৩১ ডিচেম্বৰত অৱসৰ গ্ৰহণ কৰাৰ আগমুহূৰ্তত বিদ্যালয়খনৰ পৰৱৰ্তী ভাৰপ্ৰাপ্ত অধ্যক্ষ নিযুক্তিৰ সন্দৰ্ভত প্ৰাক্তন অধ্যক্ষ মতিবুৰ ৰহমানে গোপনে আৰু ভুল তথ্যৰে জ্যেষ্ঠ শিক্ষক অপূৰ্ব কুমাৰ হাজৰিকাক বঞ্চিত কৰাৰ কৌশলৰে শিক্ষকৰ জ্যেষ্ঠতাৰ তালিকা প্ৰস্তুত কৰিছিল। উক্ত তালিকাখনেই বিদ্যালয় পৰিদৰ্শকৰ জৰিয়তে মাধ্যমিক শিক্ষা সঞ্চালকালয়লৈ প্ৰেৰণ কৰিছিল। ফলস্বৰূপে তালিকাৰ দ্বিতীয় স্থানত থকা আৰু প্ৰথম স্থানৰ অপূৰ্ব কুমাৰ হাজৰিকাতকৈ ১০ বছৰৰ কনিষ্ঠ সহকাৰী শিক্ষক পৰাগদেৱ নাথক ২০২৩ চনৰ ২৯ ডিচেম্বৰত মাধ্যমিক শিক্ষা সঞ্চালিকাই ভাৰপ্ৰাপ্ত অধ্যক্ষৰ নিযুক্তি দিছিল। পিছে শিক্ষামন্ত্ৰীৰ পত্ৰ নং ২৯০১ তাং ২-১১-২০২৪ ৰ ভিত্তিত মাধ্যমিক শিক্ষা সঞ্চালক কাৰ্যালয়ৰ পৰা ২০২৪ চনৰ ১৪ নৱেম্বৰত নগাঁও জিলাৰ বিদ্যালয় পৰিদৰ্শকলৈ ডুমডুমীয়া বালিসত্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ২০২৩ চনৰ ২৯ ডিচেম্বৰত হোৱা ভাৰপ্ৰাপ্ত অধ্যক্ষৰ নিযুক্তিৰ বিষয়টো পুনৰ তদন্তৰ বাবে পত্ৰ প্ৰেৰণ কৰিছে যদিও নগাঁও জিলাৰ বিদ্যালয় পৰিদৰ্শকৰ কাৰ্যালয়ে বৰ্তমানলৈকে তদন্তৰ ৰিপোৰ্ট প্ৰদান নকৰি অপূৰ্ব কুমাৰ হাজৰিকাক বিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষৰ দায়িত্ব পোৱাৰ পৰা বঞ্চিত কৰাৰ গভীৰ ষড়যন্ত্ৰই দেখা দিছে । সেয়ে শিক্ষামন্ত্ৰীৰো নিৰ্দেশ পৰোক্ষভাৱে অমান্য হোৱাত বঞ্চিত প্ৰাৰ্থীজনে যোৱা ১৩ ডিচেম্বৰত লিখিত আবেদনৰ জৰিয়তে মুখ্যমন্ত্ৰীৰ জৰুৰী হস্তক্ষেপ বিচাৰিছে বুলি জানিব পৰা গৈছে ।

# মৰিগাঁৱত নেহেৰু যুৱ কেন্দ্ৰৰ উদ্যোগত সুশাসন দিৱস

**ই-সংবাদ, লাহৰীঘাট, ২৫ ডিচেম্বৰঃ** ভাৰত চৰকাৰৰ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰণালয়ৰ অধীনস্থ মাই ভাৰত-নেহেৰু যুৱ কেন্দ্ৰ সংগঠনে ভাৰতবৰ্ষৰ প্ৰতিখন জিলাতে অনুষ্ঠিত কৰা প্ৰয়াত প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ জন্ম-জয়ন্তী আৰু সু-শাসন দিৱসৰ অংশ হিচাপে মৰিগাঁও জিলাৰ নেহেৰু যুৱ কেন্দ্ৰই দমাল বেতনি মানৱ কল্যাণ এন জি অ'ৰ সহযোগত বেতনি জোনাকী যুৱক সংঘৰ কাৰ্যালয়ত পূৰ্ব প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ ১০১সংখ্যক জন্মদিৱসৰ লগত সংগতি ৰাখি বুধবাৰে 'সু-শাসন দিৱস' উদযাপন কৰা হয়। বিশিষ্ট সমাজসেৱক প্ৰদীপ ডেকাৰ সভাপতিত্বত অনুষ্ঠিত আলোচনা চক্ৰত বাজপেয়ীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু স্মৃতি তৰ্পণ কৰে বিজয়লক্ষ্মী সংঘৰ প্ৰাক্তন সম্পাদক গণেশ ৰাজকুমাৰে। নেহেৰু যুৱ কেন্দ্ৰৰ গাণনিক আৰু কাৰ্যসূচী বিষয়া ধনঞ্জয় তালুকদাৰে অটল বিহাৰী বাজপেয়ীৰ জীৱন দৰ্শনৰ লগতে পূৰ্ব প্ৰধানমন্ত্ৰীগৰাকীৰ সু-শাসনৰ বহুকেইটা উল্লেখনীয় দিশ বিশ্লেষণ কৰি উপস্থিত সকলোকে আপ্লুত কৰে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে তিৱা স্বায়ত্ত শাসিত পৰিষদৰ কাৰ্যবাহী সদস্য খগেন বৰদলৈয়ে মনোগ্ৰাহী বক্তৃতাৰে বাজপেয়ীৰ শাসনকালত দেশৰ উন্নয়নৰ আঁচনি আৰু বিশ্ব দৰবাৰত ভাৰতবৰ্ষক আগবঢ়ায় নিয়াৰ বিভিন্ন দিশৰ কথা বিশ্লেষণ কৰে। দমাল বেতনি মানৱ কল্যাণ এন জি অ'ৰ সম্পাদক টুটু ডেকাই উদ্দেশ্য ব্যাখ্যা কৰা সভাত সমাজ সংগঠক শিৱকান্ত ডেকা, বেতনি জোনাকী যুৱক সংঘৰ সভাপতি শৰৎ ডেকা আৰু প্ৰকৃতিপ্ৰেমী মঞ্চ অসমৰ সহকাৰী প্ৰধান সম্পাদক পাৰ্থ প্ৰতিম গৌতম উপস্থিত থাকে।

# বন্যহস্তীক খাদ্য যোগান বীৰ লাচিত সেনাৰ

**ই-সংবাদ, জাগীৰোড, ২৫ ডিচেম্বৰঃ** বীৰ লাচিত সেনাৰ প্ৰসংশনীয় পদক্ষেপ। জাগীৰোডৰ ধৰমতুলত বীৰ লাচিত সেনাই বন্যহস্তীক যোগান ধৰিছে খাদ্য। বীৰ লাচিত সেনা অসম ধৰমতুল আঞ্চলিক সমিতিৰ উদ্যোগত পূব ধৰমতুল সংৰক্ষিত বনাঞ্চলত বিগত কেইমাহ মানৰ পৰা বন্যহস্তীক কলগছ যোগান ধৰি আহিছে। মৰিগাঁও জিলা সমিতিৰ মুখ্য সচিব দ্বীপমনি হীৰাই নেতৃত্ব প্ৰদান কৰা এই প্ৰদক্ষেপক ধৰমতুল আঞ্চলিক সমিতিয়ে সহযোগিতা আগবঢ়ায়। বন্যহস্তীয়ে খাদ্য সংকটত ভোগাৰ ফলত হাতী-মানুহৰ মাজত সৃষ্টি হোৱা সংঘাত কিছু পৰিমাণে কম কৰিবলৈ সংগঠনটোৱে অদূৰ ভৱিষ্যতেও এই কাৰ্যসূচী হাতত ল'ব বুলি উল্লেখ কৰে। তদুপৰি স্থানীয় ৰাইজকো মাজে মাজে খাদ্য যোগান ধৰিবলৈ আহ্বান জনাইছে সংগঠনটোৱে। উক্ত কাৰ্যসূচীত সহযোগিতা আগবঢ়াই সংগ দিয়ে বনাঞ্চলিক বিষয়া দ্বীপেন বৰুৱাৰ লগতে বনকৰ্মীসকলে। এই কাৰ্যসূচী সফল কৰাত জিলা



সমিতিৰ উপ সভাপতি হিতেশ ডেকা, কাৰ্যনিৰ্বাহক বিদ্যুৎ কাকতি, প্ৰমোদ হীৰা, পাপু কৌশিক দাস, ভূপেন দাস, ধৰমতুল আঞ্চলিক সমিতিৰ মুখ্য সচিব হেমন্ত দাস উপস্থিত থাকে।

# কলগাছিয়াত সাহিত্য পৰিষদৰ সন্মিলন

**ই-সংবাদ, কলগাছিয়া, ২৫ ডিচেম্বৰঃ** বৰপেটা জিলাৰ কলগাছিয়াস্থিত অগ্ৰণী স্বেচ্ছাসেৱী সংগঠন জ্যোতি ৰাভা নজৰুল সংঘৰ কাৰ্যালয় প্ৰাঙ্গণত বুধবাৰে অনুষ্ঠিত হয় নতুন সাহিত্য পৰিষদ, কলগাছিয়া শাখাৰ ৩৮-সংখ্যক সন্মিলন। পৰিষদৰ পতাকা উত্তোলনেৰে আৰম্ভ হোৱা সন্মিলনখনত বিয়লি ৩ বজাত শাখাৰ সভাপতি বিশিষ্ট কবি মঃ নুৰুল আমিনৰ সভাপতিত্বত স্বৰচিত কবিতা আবৃত্তি প্ৰতিযোগিতা অনুষ্ঠিত হয়। অনুষ্ঠানটোৰ পৰ্যবেক্ষক, বিশিষ্ট কবি তথা সাংবাদিক প্ৰবীণ কুমাৰ ৰায়ৰ 'বিলাপ' কবিতা পাঠেৰে আৰম্ভ হয় কবিতা আবৃত্তি প্ৰতিযোগিতা। সন্ধিয়াত অনুষ্ঠিত হোৱা প্ৰতিনিধি সভাখন উদ্বোধন কৰি বিশিষ্ট কবি প্ৰবীণ কুমাৰ ৰায়ে কয়, "সাহিত্য অবিহনে জাতিৰ উন্নয়ন সম্ভৱ নহয়। আমি ৰাইজৰ স্বাৰ্থত সাহিত্য সৃষ্টি কৰিব লাগে। সাহিত্যিকসকল শাসক পক্ষৰ হাতৰ পুতলা হ'ব নালাগে। সাহিত্যিকৰ সৃষ্টিৰ মাজত প্ৰতিবাদৰ ভাষা থাকিব লাগে। মানুহৰ কল্যাণৰ বাবে চেতনা থাকিব লাগে। তোষামোদকাৰী লেখা, অপসংস্কৃতিমূলক লেখা কেতিয়াও সাহিত্য হ'ব নোৱাৰে।" সমাজ পৰিবৰ্তন আৰু প্ৰগতিৰ বাবে সাহিত্য সৃষ্টি কৰিব লাগে বুলি কয় কবিগৰাকীয়ে। স্মৰ্তব্য যে অনুষ্ঠানটোৰ পাতনিতে অসমৰ বৰেণ্য গণশিল্পী সূৰ্য দাস, সংগীতকাৰ ৰমেন বৰুৱা, কবি-নাট্যকাৰ তথা গীতিকাৰ কুলদা কুমাৰ ভট্টাচাৰ্য, আন্তৰ্জাতিক তবলা বাদক ওস্তাদ জাকিৰ হুছেইন, সৰ্বভাৰতীয় বাওঁপন্থী নেতা সীতাৰাম ইয়েচুৰী আৰু পশ্চিম বংগৰ প্ৰাক্তন মুখ্যমন্ত্ৰী বুদ্ধদেৱ ভট্টাচাৰ্যৰ বিদেহী আত্মাক শ্ৰদ্ধা জনাই এটি শোক প্ৰস্তাৱ গ্ৰহণ কৰে। বিয়লিত স্বৰচিত কবিতা আবৃত্তি প্ৰতিযোগিতা অনুষ্ঠানটোত কবি তথা সাংবাদিক প্ৰবীণ কুমাৰ ৰায়ে স্বৰচিত 'বিলাপ' কবিতা আবৃত্তি কৰি ৰাইজক আপ্লুত কৰে। সেইদৰে এম কায়েম তালুকদাৰে 'জনতাৰ আদালত', ইছমাইল সৰকাৰে 'আমি অসমীয়া', সাংবাদিক জাহিদুল ইছলামে 'প্ৰতাৰণা', চানমামুদ আহমেদে ' 'জীৱনৰ ৰং', দেৱান মোজাম্মেল হুছেইনে 'জাতীয়তাবাদ', মঃ নুৰুল আমিনে 'মোৰ কবিতাই মোৰ প্ৰাণ' আৰু প্ৰবীণ কবি আব্দুচ ছাত্তাৰ আহমেদে 'ৰেণুকা' নামৰ স্বৰচিত কবিতা আবৃত্তি কৰি অনুষ্ঠানটো জীপাল কৰি তোলে। নতুন সাহিত্য পৰিষদৰ কলগাছিয়া শাখাৰ ৩৮-সংখ্যক সন্মিলন উপলক্ষে প্ৰবীণ কবি তথা গল্পকাৰ, নতুন সাহিত্য পৰিষদৰ কলগাছিয়া শাখাৰ প্ৰতিষ্ঠাপক সভাপতি এম কায়েম তালুকদাৰক জীৱন জোৰা সাহিত্য সাধনাৰ বাবে এখন মানপত্ৰ, ফুলাম গামোচা আদিৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। প্ৰতিনিধি সভাত পুৰণা সমিতি ভংগ কৰি সাহিত্য পৰিষদৰ কলগাছিয়া শাখাৰ নতুনকৈ সমিতি গঠন কৰা হয়।

# কামৰূপৰ শিঙিমাৰী-দদৰা আদৰ্শ চিকিৎসালয় পৰিদৰ্শন মন্ত্ৰী অশোক সিংঘালৰ

**ই-সংবাদ, গুৱাহাটী , ২৫ ডিচেম্বৰঃ** ৰাজ্য চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী অশোক সিংঘালে মঙলবাৰে নিশাৰ ভাগত কামৰূপ জিলাৰ শিঙিমাৰী-আদৰ্শ চিকিৎসালয়ত উপস্থিত হৈ চিকিৎসালয়খনৰ চিকিৎসা সেৱাৰ বিষয়ে বুজ লয়। মন্ত্ৰী সিংঘালে জিলাখনত ৰূপায়িত হৈ থকা প্ৰতিষেধক প্ৰদান, মেলেৰিয়া, ৰাষ্ট্ৰীয় শিশু স্বাস্থ্য কাৰ্যসূচী, বিস্তৃত প্ৰাথমিক স্বাস্থ্য সেৱা, ডায়েলেছিছ আদি স্বাস্থ্য সেৱাৰ বিভিন্ন আঁচনিৰ পুংখানুপুংখভাৱে পৰ্যালোচনা কৰে। মন্ত্ৰীগৰাকীয়ে আগন্তুক দিনত কামৰূপ জিলাক স্বাস্থ্য বিভাগে আদৰ্শ স্বাস্থ্য সেৱাৰ জিলা হিচাপে গঢ় দিব বুলি মন্তব্য কৰাৰ লগতে ৰোগীৰ সুবিধাৰ্থে কামৰূপ জিলাৰ ১৩খন খণ্ড চিকিৎসালয়ক ই-চিকিৎসালয়যোগে সংযোগ কৰা হ'ব বুলিও মন্তব্য কৰে। ৰোগীৰ চিকিৎসাৰ ক্ষেত্ৰত আধুনিক চিকিৎসাৰ সৈতে জড়িত কৰিবলৈ ৰাজ্য চৰকাৰে প্ৰচেষ্টা হাতত লোৱা বুলিও জানিব দিয়ে মন্ত্ৰীগৰাকীয়ে। আনহাতে জিলাখনৰ প্ৰতিখন চিকিৎসালয়তে প্ৰতিগৰাকী ৰোগীৰ যাৱতীয় নথি-পত্ৰ চিকিৎসকসকলৰ বাবে অনলাইনযোগে প্ৰদানৰ ব্যৱস্থা কৰাৰ চিন্তা-চৰ্চা কৰা হৈছে বুলি জানিবলৈ দিয়ে মন্ত্ৰীগৰাকীয়ে। লগতে মন্ত্ৰী সিংঘালে কয় যে ৰাজ্যত বৰ্তমান বিভিন্ন বিভাগত ৫৭০গৰাকী চিকিৎসকৰ অভাৱ আছে। সেই অভাৱ পূৰ কৰিবলৈ ৰাজ্যত স্থাপন কৰা হৈছে ইখনৰ পিছত সিখনকৈ মেডিকেল কলেজ। অসম চৰকাৰ হাতত টকাৰ অভাৱ নাই, অভাৱ আছে চিকিৎসকৰ। চিকিৎসালয় পৰিদৰ্শনৰ সময়ত কামৰূপ জিলাৰ অতিৰিক্ত জিলা আয়ুক্ত মুনমী কলিতা, কামৰূপ জিলাৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ মহীতোষ বেনাৰ্জীকে ধৰি স্বাস্থ্য বিভাগৰ উচ্চ পদস্থ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

# বনভোজ সন্দৰ্ভত ৰাইজক সজাগতা বিশ্বনাথ জিলা পৰিবহন বিষয়াৰ

**ই-সংবাদ, বিশ্বনাথ, ২৫ ডিচেম্বৰঃ** এতিয়া বনভোজৰ সময়। সকলো সাজু হৈছে পুৰণি বছৰটিক বিদায় দি নতুন বছৰক আদৰিবলৈ। পিছে নতুন বছৰক আদৰাৰ আনন্দ-স্ফূৰ্তিৰ মাজতে যাতে কোনো অঘটন নহয়, তাৰ প্ৰতি লক্ষ্য ৰাখি বনভোজকাৰী দলসমূহৰ মাজত সজাগতাৰ সৃষ্টি কৰিছে প্ৰশাসনে। বনভোজলৈ যাওঁতে বনভোজকাৰীয়ে কি কি সাৱধানতা অৱলম্বন কৰিব লাগিব, এই ক্ষেত্ৰত বিগত কেইবাদিনৰ পৰা বিভিন্ন সজাগতামূলক ভিডিঅ' সম্প্ৰচাৰ কৰিছে বিশ্বনাথ জিলা পৰিবহন বিষয়াই। বিষয়াগৰাকীয়ে সকলোকে বনভোজলৈ যাওঁতে সুৰা সেৱন নকৰিবলৈ আহ্বান জনাইছে। সমান্তৰালকৈ নিশা ঘন কুঁৱলীৰ বাবে সকলোকে বাহন ৰাজপথত চলোৱাৰ পূৰ্বে টায়াৰ, ৰাইপাৰ, ল'বীম লাইট ব্যৱহাৰ কৰি বাহন চলাবলৈ আহ্বান জনাইছে। ইতিমধ্যে এই ক্ষেত্ৰত জিলা পৰিবহন বিষয়া শৈলেন দাসে তৎপৰতাৰে জিলাখনৰ বিভিন্ন বনভোজস্থলীত সজাগতামূলক বেনাৰ, পোষ্টাৰ লগোৱাৰ লগতে সামাজিক মাধ্যমত বিভিন্ন ভিডিঅ' প্ৰস্তুত কৰি সজাগতা সৃষ্টি কৰিছে।



প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ জন্ম দিন উপলক্ষে হাউলীত বিজেপিৰ শোভাযাত্ৰা

# দৰং জিলা যুৱ উৎসৱ সম্পন্ন

**ই-সংবাদ, মঙলদৈ, ২৫ ডিচেম্বৰঃ** ৰাষ্ট্ৰীয় যুৱ মহোৎসৱৰ প্ৰাকঃক্ষণত দেশৰ সকলো ৰাজ্যতে অনুষ্ঠিত হ'ব যুৱ উৎসৱ। ৰাজ্যিক যুৱ উৎসৱৰ সমান্তৰালভাৱে প্ৰতিখন জিলাতে জিলাভিত্তিত যুৱ উৎসৱৰ আয়োজন কৰি প্ৰতিভাসম্পন্ন যুৱক-যুৱতীক নিৰ্বাচিত কৰা হৈছে। অসমৰো আন আন জিলাৰ লগতে দৰং জিলাতো বৰ্ণাঢ্য আয়োজনেৰে অনুষ্ঠিত হয় যুৱ উৎসৱ। মুঠ তিনি শতাধিক প্ৰতিভাৱান যুৱক-যুৱতী আৰু বিশিষ্ট ব্যক্তিৰ উপস্থিতিত কেইবাটাও বৰ্ণিল কাৰ্যসূচীৰে সম্পন্ন হয় যুৱ উৎসৱ। নেহৰু যুৱ কেন্দ্ৰৰ উদ্যোগত আৰু দৰং জিলা প্ৰশাসন আৰু মঙ্গলদৈ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ সহযোগত মঙলদৈৰ জিলা পুথিভঁৰালত অনুষ্ঠিত যুৱ মহোৎসৱৰ মুকলি সভা আৰু বঁটা বিতৰণী অনুষ্ঠানত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰে মঙলদৈ লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়াই। উপস্থিত থাকে নেহৰু যুৱ কেন্দ্ৰ দৰঙৰ জিলা যুৱ বিষয়া শয়ন শুক্লবৈদ্য, গাণনিক বিষয়া সজল কুমাৰ ভূঞা, ৰাষ্ট্ৰীয় বঁটাপ্ৰাপ্ত কৃতী শিক্ষক বিপ্লৱ ডেকা, কলাইগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক কৌশিক ডেকা, ভাৰতীয় ৰেড ক্ৰছ ছ'চাইটি, অসম শাখাৰ পৰা সমল ব্যক্তি হিচাপে দিব্যজ্যোতি ডেকা, শিক্ষাবিদ হেৰম্ব কুমাৰ নাথ প্ৰমুখ্যে জয়শ্ৰী কলিতা, বাবুল আহমেদ, মণ্টু নাথসহ কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত মঙলদৈ মহাবিদ্যালয় এন.এছ.এছ. গোটৰ ২০গৰাকী স্বেচ্ছাসেৱকৰ লগতে ৰাষ্ট্ৰীয় যুৱ মহোৎসৱ ২০২৪ আৰু ২০২৩ বৰ্ষত অংশগ্ৰহণ কৰা যুৱক-যুৱতীসকলো উপস্থিত থাকে। যুৱ উৎসৱৰ দিনজোৰা কাৰ্যসূচীত বিজ্ঞান মেলাৰ লগতে বক্তৃতা প্ৰতিযোগিতা, চিত্ৰাংকন প্ৰতিযোগিতা, লোক-নৃত্য প্ৰতিযোগিতাকে ধৰি কেইবাটাও প্ৰতিযোগিতাত জিলাখনৰ বিভিন্ন প্ৰান্তৰ প্ৰতিযোগীসকলে অংশগ্ৰহণ কৰে। জিলা যুৱ উৎসৱত শ্ৰেষ্ঠত্ব অৰ্জন কৰা প্ৰতিযোগীসকলক ৰাজ্যিক পৰ্যায়ত প্ৰেৰণ কৰা হ'ব বুলি জিলা প্ৰশাসন আৰু নেহৰু যুৱ কেন্দ্ৰৰ তৰফৰ পৰা সংবাদ মাধ্যমক অৱগত কৰে।

# ঘগ্ৰাপাৰত অটল বিহাৰী বাজপেয়ীৰ জন্ম-বাৰ্ষিকী পালন

**ই-সংবাদ, নলবাৰী, ২৫ ডিচেম্বৰঃ** সমগ্ৰ দেশৰ লগতে নলবাৰী জিলাৰ ঘগ্ৰাপাৰ মণ্ডল বিজেপিৰ উদ্যোগত বুধবাৰে প্ৰয়াত প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ জন্ম-বাৰ্ষিকী পালন কৰা হয়। মণ্ডলটোৰ অন্তৰ্গত জাৱজাৱকুছি-ৰামপুৰ অজাগৰা বুথত ঘগ্ৰাপাৰ মণ্ডল বিজেপিৰ প্ৰাক্তন সভাপতি ডিম্বেশ্বৰ বেজবৰুৱাই উপস্থিত থাকি দিৱসটিৰ তাৎপৰ্যপূৰ্ণ ব্যাখ্যা কৰাৰ লগতে তেওঁ কয় যে ২০১৪ চনৰ তেতিয়াৰ নৱনিৰ্বাচিত নৰেন্দ্ৰ মোদী চৰকাৰে ২৫ ডিচেম্বৰ দিনটো সুশাসন দিৱস হিচাপে পালন কৰা হ'ব বুলি ঘোষণা কৰিছিল। লগতে তেওঁ কয় যে এই দিৱসৰ উদ্দেশ্য হৈছে সুশাসনৰ জৰিয়তে বিভিন্ন চৰকাৰী কাৰ্যসূচী আৰু সেৱাত জনসাধাৰণৰ সুবিধা বৃদ্ধি কৰা। উল্লেখ যে এই দিৱসটি মণ্ডলটোত ৮১টা বুথে একেলগে পালন কৰে বুলি ঘগ্ৰাপাৰ মণ্ডল বিজেপিৰ সভাপতি মনোজ ডেকাই জানিবলৈ দিয়ে।

# ডিফুত কাৰ্বি আংলং জিলা কবি সন্মিলনৰ দ্বিতীয় দ্বি-বাৰ্ষিক অধিৱেশন

**ই-সংবাদ, ডিফু, ২৫ ডিচেম্বৰঃ** দিনযোৰা কাৰ্যসূচীৰে আয়োজন কৰা কাৰ্বি আংলং জিলা কবি সন্মিলনৰ দ্বিতীয় দ্বি-বাৰ্ষিক অধিৱেশনৰ সফল সামৰণি পৰে। বুধবাৰে ডিফুত অসম সাহিত্য সভাৰ আঞ্চলিক কাৰ্যালয় ৰাংচিনা ভৱনৰ সভাকক্ষত সদৌ অসম কবি সন্মিলনৰ অন্তৰ্গত ডিফু শাখা কবি সন্মিলনৰ সহযোগত কাৰ্বি আংলং জিলা কবি সন্মিলনৰ দ্বিতীয় দ্বি-বাৰ্ষিক অধিৱেশন অনুষ্ঠিত হয়। কাৰ্যসূচী অনুসৰি পুৱাৰ ভাগত পতাকা উত্তোলন কৰে কাৰ্বি আংলং জিলা কবি সন্মিলনৰ সভাপতি ছাৰ এট হাঞ্চেই। ইয়াৰ পিছত কাৰ্বি আংলঙৰ বিভিন্ন প্ৰান্তৰ পৰা অহা নবীন-প্ৰবীণ কবিসকলে স্বৰচিত কবিতা পাঠ কৰি অনুষ্ঠানটি জীপাল কৰি তোলে। আনহাতে উক্ত কাৰ্যসূচীৰ লগত সংগতি ৰাখি কাৰ্বি আংলং কবি সন্মিলনৰ দ্বিমাসিক আলোচনী হিৰজিৰ আৰু বিশিষ্ট কবি ও গীতিকাৰ এজাং ৰাজ ৰাজৰ কবিতা পুথি 'ধূলিয়াৰি বাটৰ খোজ', আৰু 'অৰণ্যৰ শুভ উন্মোচন কৰা হয়। কবি সন্মিলনৰ শুভক্ষণতে বিশিষ্ট সাহিত্যিক কবি ছাৰ এট হাঞ্চেক সদৌ অসম কবি সন্মিলনে কাব্যপ্ৰাণ বঁটা আগবঢ়োৱাৰ বাবে অভিনন্দন পত্ৰ প্ৰদান কৰা হয়। নিৰ্দিষ্ট বক্তাৰ ভাষণত বিশিষ্ট কবি সাহিত্যিক গীতা বৰাই কবিতা ৰচনাৰ ওপৰত তাৎপৰ্যপূৰ্ণ আৰু সাৰুৱা বক্তব্য প্ৰদান কৰে। এই গাম্ভীৰ্যপূৰ্ণ মুকলি অধিৱেশনত কাৰ্বি আংলং জিলা সাহিত্য সভাৰ নৱনিৰ্বাচিত সভাপতি বাৰিম ইংতি, বিশিষ্ট কবি সাহিত্যক ক্ৰমে ছাৰ এট হাঞ্চে, সাবিত্ৰী গগৈ, গীতা বৰা, ভৱেশ ৰাজবংশী, অতুল বৰুৱা আৰু কাৰ্বি আংলং জিলা কবি সন্মিলনৰ নৱ-নিৰ্বাচিত সাধাৰণ সম্পাদক কৌস্তৱ খাউণ্ড উপস্থিত থাকে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

# কোকৰাঝাৰত দুৰ্ঘটনাত দেবৰগাঁও ব্লক বিপিএফৰ উপ-সভাপতি প্ৰদীপ নাৰ্জাৰী নিহত

**ই-সংবাদ, কোকৰাঝাৰ, ২৫ ডিচেম্বৰঃ** কোকৰাঝাৰ জিলাৰ বালাজান উপ আৰক্ষী চকীৰ অন্তৰ্গত বালাজান তিনালীৰ লাউৰিপাৰাত কালি নিশা সংঘটিত হোৱা এক ভয়ংকৰ পথ দুৰ্ঘটনাৰ ফলত বিপিএফৰ দেবৰগাঁও ব্লক কমিটিৰ উপ সভাপতি তথা তিনালী-চাৰিআলি ভিচিডিচিৰ প্ৰাক্তন অধ্যক্ষ প্ৰদীপ নাৰ্জাৰী(৪৯) নিহত হোৱা ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰাৰ লগতে গভীৰ শোকৰ ছা পেলাইছে। মূলত "হিট এণ্ড ৰাণ" ঘটনাৰ ফলত নিহত হোৱা প্ৰদীপ নাৰ্জাৰীক কি গাড়ীয়ে খুন্দিয়ালে সেয়া অদ্যপি পোহৰলৈ অহা নাই আৰু আৰক্ষীয়ে চিচি কেমেৰাৰ ফুটেজ পৰীক্ষা কৰি দুৰ্ঘটনা সংঘটিত কৰা গাড়ীখনৰ সন্ধান উলিয়াবলৈ প্ৰচেষ্টা অব্যাহত ৰাখিছে। দুৰ্ঘটনাস্থলীৰ ৰেহৰূপ চাই ডাম্পাৰজাতীয় গধুৰ গাড়ীয়ে দুৰ্ঘটনা সংঘটিত কৰা বুলি সন্দেহ কৰা হৈছে। উল্লেখ্য যে অতি নিৰ্জু স্বভাৱৰ প্ৰদীপ নাৰ্জাৰী কালি নিশা ৭:৩০ মান বজাত বালাজান তিনালীৰ পৰা ঘৰলৈ উভতাৰ পথত দুৰ্ঘটনাটো সংঘটিত হয়। বালাজান তিনালীৰ পৰা ঘৰলৈ স্কুটিৰে গৈ থাকোতে প্ৰদীপ নাৰ্জাৰীক জেডি ৰোডৰ লাউৰিপাৰাত অচিনাক্ত বাহনে খুন্দিয়ায়। গুৰুতৰভাৱে আহত প্ৰদীপ নাৰ্জাৰীক হস্পিতাললৈ নিয়া হয় যদিও চিকিৎসকে প্ৰদীপ নাৰ্জাৰীক মৃত বুলি ঘোষণা কৰে। আজি মৰণোত্তৰ পৰীক্ষা সম্পন্ন হোৱাৰ পিছত মৃতদেহ নিজ বাসগৃহলৈ অনা হয় মৃতদেহ। প্ৰদীপ নাৰ্জাৰীৰ মৃতদেহ আহি পোৱাৰ লগে লগে বাসগৃহত কান্দোনৰ ৰোল উঠে। শ শ জনতাই তেওঁলোকৰ প্ৰিয় নেতাগৰাকীক অশ্ৰুসিক্ত নয়নেৰে শেষ বিদায় জনায়। স্বত:স্ফূৰ্তভাৱে বন্ধ হৈ পৰে খাংক্ৰাইবাড়া বজাৰ। অজস্ৰ গুণমুগ্ধই মৃতকৰ বাসগৃহত উপস্থিত গৈ অন্তিম শ্ৰদ্ধাঞ্জলী জ্ঞাপন কৰে। বিটিচি বিধানপৰিষদৰ বিৰোধী দলপতি তথা ছালাকাটি সমষ্টিৰ নিৰ্বাচিত পাৰিষদ দেৰহাছাৎ বসুমতাৰী, প্ৰাক্তন মন্ত্ৰী প্ৰমিলা ৰাণী ব্ৰহ্ম, বিপিএফৰ দেবৰগাঁও ব্লক সমিতিৰ সভাপতি গিলবাৰ্ট বৰগয়াৰী, সম্পাদক আগৌমা বসুমতাৰী, দেবৰগাঁও ব্লক বিপিএফৰ মহিলা সমিতিৰ সভানেত্ৰী শুকন্তলা বসুমতাৰী, সম্পাদক সবিতা বৰগয়াৰী, কোকৰাঝাৰ জিলা মহিলা বিপিএফৰ সম্পাদিকা ৰমা দেৱী, বিপিএফৰ কেন্দ্ৰীয় সমিতিৰ সাংগঠনিক সম্পাদিকা কমলী বসুমতাৰী , উত্তৰ কোকৰাঝাৰ আঞ্চলিক এবছুৰ সভাপতি নিৰ্জয় ব্ৰহ্ম, বালাজান তিনালী ইউনিট এবছুৰ সভাপতি দৈমালু বৰগয়াৰী, বালাজান তিনালী ব্যৱসায়ী সন্থাৰ সভাপতি ধনঞ্জয় নাথে অন্তিম শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।



মেলবৰ্ণ টেষ্টৰ সময়ত বাউণ্ডেৰী লাইনৰ বাহিৰত অটোগ্ৰাফ প্ৰদান কৰিছে বিৰাট কোহলিয়ে

## ৰাজনৈতিক বাদ-বিবাদৰ মাজতে কৰিলে ঘোষণা

# ২০২৬-ত চামগুৰিত হাৰিলে ৰাজনীতিৰ পৰা সন্ন্যাস ল'ব ৰকিবুলে!

**ই-সংবাদ, ২৫ ডিচেম্বৰঃ** দলীয় প্ৰতীক বিহীন পঞ্চায়ত নিৰ্বাচনৰ পোষকতা কৰি অহা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক উভতি ধৰিছে কংগ্ৰেছৰ নেতা তথা ধুবুৰী সাংসদ ৰকিবুল হুছেইনে। ৰকিবুল হুছেইনে ধুবুৰী সমষ্টিত সংবাদমেল সম্বোধন কৰি মুখ্যমন্ত্ৰীক উভতি ধৰি কয় যে বিজেপিৰ পদুমৰ চিহ্ন লৈ ৰাইজৰ মাজলৈ যোৱাৰ সাহস নোহোৱা হৈছে। বিজেপিৰ নিজৰ অৱস্থাৰ কথা গম পাইছে সেয়েহে চিহ্ন লৈ নিৰ্বাচন খেলিব খোজা নাই। ২০২৬ চনত চামগুৰি সমষ্টিত কংগ্ৰেছ হাৰিলে ৰাজনীতি ত্যাগ কৰাৰ কথা ঘোষণা কৰিছে হুছেইনে। চামগুৰি সমষ্টি পুনৰ দখল কৰাৰ হুংকাৰ দি ২০২৬ চনত হিমন্ত বিশ্ব শৰ্মাক চোঁচৰাই চোঁচৰাই চামগুৰিৰ পৰা আঁতৰাই পঠাব বুলি হুংকাৰ দিয়ে। আজি মুখ্যমন্ত্ৰীয়ে বাবাচাহেব আম্বেদকাৰক কংগ্ৰেছে ভাৰতৰত্ন নিদিয়া বুলি অনা অভিযোগৰ প্ৰত্যুত্তৰ দি ৰকিবুল হুছেইনে কয় যে মুখ্যমন্ত্ৰী থাকি যোৱা কংগ্ৰেছেই নহয় জানো। কালিলৈকে কংগ্ৰেছত থকা হিমন্ত বিশ্ব শৰ্মা আজি বিজেপিত। কংগ্ৰেছত থকাকালত সাৰদা কেলেংকাৰী আৰু বিজেপিয়ে হিমন্ত বিশ্ব শৰ্মাৰ দুৰ্নীতিক লৈ প্ৰকাশ কৰা পুস্তিকাৰ কথা উল্লেখ কৰে। লগতে হুছেইনে অসমত চৰম অৰাজক পৰিৱেশ, চিণ্ডিকেটৰাজ চলি থকা বুলিও গুৰুতৰ অভিযোগ আনে।

ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD,
JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE

COMPUTER
- BCA
- DCA
- PGDCA
- DTP
- ADCA

MONTESSORY TEACHER TRAINING COURSE
- LESSON PLANS
- PRESENTATION CLASS
- INTERVIEW SESSION
- MOTOR SKILL DEVELOPMENT
- HOW TO CREATE PROFESSIONAL BIO DATA

PLACEMENT 100% GUARANTEE

CONTACT US
+91 78965-45243
ADMISSION GOING ON

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। মুখ্য সম্পাদকঃ ড০ দীনেশ বৈশ্য ।। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি